# 7

গাঁওখনৰ নাম মাধৱপুৰম। তত্তুকুড়ি চহৰৰ পৰ যিটো আলি আৰুপ্প্ কোট্টাই ইটিয়াপুৰেদি চিধা ৰামনাড়লৈ গৈছে, তাৰ কাষতে এই সৰু গাঁওখন। ইয়াৰ প্ৰাইমেৰী স্কুলৰ ঘৰটোও সৰু। এটা একতলাৰ ইটাৰ ঘৰ। স্কুলত শিক্ষক এজনহে। তেওঁ স্কুলৰ ঘৰটোতে থাকে।

ঘৰৰ ভিতৰত শিক্ষকজনে নিমগ্ন হৈ বীণা বজাইছে। পুৰীয়া কল্যাণ বজাইছে। আবেলি শেষ হৈ সন্ধিয়া হ'ল। তেওঁৰ সেইফালে খিয়ালেই নাই। কেবা ঘণ্টা ধৰি বজাই আছে।

পোনতে টুং টাং আলাপ। আন্দোলনৰ পাছত আন্দোলন—মীড়, গমক। হঠাৎ বীণাত নদীৰ ঢল। হিল-দল ভাঙি সুৰৰ ঢৌ আহিছে। মানুহজনৰ চকু দুটা মুদ খাইছে। বাওঁ হাতৰ আঙুলিৰে বীণাত মৃদু আঘাত কৰিছে। নাচনীৰ দৰে সোঁ হাতৰ আঙুলি কেইটা নাচিছে। পোনতে গতি মন্থৰ। তাৰ পাছত ক্ৰমাৎ দ্ৰুত। ডাঙৰীয়া এতিয়া চেতনাহীন।

পল্লবীৰ পৰা যে কেতিয়া অনুপল্লবী আহি পালে তেওঁ গমকে নেপালে। কোনে লগে লগে পক্কবাদম সঙ্গত কৰিছে এই কথাও তেওঁ নেজানে। তেওঁ বেপৰোৱা। আদিতালত আঙুলিৰ স্পৰ্শতে পক্কবাদম বাজিছে।

এজন বুঢ়া মানুহ ঘৰৰ ভিতৰত সোমাল। হাতত এটা হেৰিকেন লেম। তেওঁ দেখিলে যে মাষ্টৰে বজাই আছে। ওচৰতে জটলা চুলিৰ মানুহ এটাও বহিলহি। তেওঁ শুনি শুনি বিভোৰ। দুয়ো বাস্তৱ পৃথিৱীৰ ঊৰ্দ্ধত।

—মাষ্টৰ ডাঙৰীয়া, হেৰি মাষ্টৰ ডাঙৰীয়া, বাজনা আৰু কিমান সময় ধৰি চলিব?

মাষ্টৰৰ ধ্যান ভাগিল। তেওঁ চাৰিওফালে চালে, বাজনাও বন্ধ হ'ল। ওচৰত বহি থকা মানুহটোৰে মূৰ তুলি চালে।

—তুমি কেতিয়া আহিলা, পিটাৰ?

—ওচৰতে বহি আছিলোঁ দেখোন। আপুনি আলাপত মছগুল হৈ আছিল। তাৰ পাছত পল্লবীৰ লহৰ। বহুত দিন এনে যন্ত্ৰসংগীত শুনা নাছিলোঁ। বৰ ভাল লাগিল।

বুঢ়া যেন লগা মানুহটোৰে সঁহাৰি দিলে।—এতিয়া উঠক। চৌকা জ্বলি আছে। ভাত বহাওক। আজি গোটেই দিনটো লঘোণে আছে।

—অঁ, আগুি ! তোমাৰ ভালনে ? ভগৱানে তোমাক যদি অলপ ৰসজ্ঞান……

—মোৰ ৰসৰ প্ৰয়োজন নাই। বুঢ়া কালত আপুনিহে ৰসত মগন হৈছে। এতিয়া উঠকচোন।

মাষ্টৰে বীণাখন খোলটোত ভৰালে। এইমাত্ৰ ওপজা কেঁচুৱাটোকহে যেন কাপোৰেৰে মেৰি শুৱাইছে। খুব যতনেৰে থৈছে। একাষত বীণাখন থৈ মাষ্টৰে উঠিবলৈ চেষ্টা কৰিলে। হাতৰ ওপৰত ভৰ দি উঠিবৰ চেষ্টা কৰিলে। তেওঁৰ সমস্ত শৰীৰ কঁপিবলৈ ধৰিলে ; কিন্তু থিয় হব নোৱাৰিলে। পিটাৰে আগবাঢ়ি গৈ তেওঁক থিয় কৰালে। মাষ্টৰৰ ভৰি দুখনো খুব কঁপিছে। আগুিয়ে চাকিটো আনি গাত পোহৰ পেলাই দিছে।

সেই পোহৰত পিটাৰে মাষ্টৰক ভালকৈ চালে। তেওঁ আগতকৈ বহুত লেৰেলা পৰিল। খুব দুৰ্বল। মুখখন শেঁতা। গাল দুখন সোমাই গৈছে। চকু দুটা মৰা মাছৰ চকুৰ নিচিনা।

—আপোনাৰ স্বাস্থ্য ভাগি পৰিছে।

—এৰা, এতিয়া আৰু বেয়া হৈছে। মাষ্টৰে অলপ হাঁহিলে। আকৌ ক'লে, পিছে কেতিয়াবাৰো মোৰ স্বাস্থ্য ভালে আছিল ?

মাষ্টৰৰ কঁপি থকা বেমাৰটো বহুদিনীয়া। খোজ কাঢ়োতেও কঁপনি। নতুন ঠাই আৰু নতুন মানুহ দেখিলে কঁপনিটো বেছিহে হয়। কিন্তু বীণা বজালে মাষ্টৰৰ আঙুলি কেইটা অকণো নকঁপে। তেওঁক বীণা বজোৱা দেখিলে এনে বেমাৰীয়েই বজাব পাৰিছে বুলি বিশ্বাস কৰিবলৈকে টান লাগে। শুই থকা ৰাগ-ৰাগিণীবোৰ মাষ্টৰৰ আঙুলিৰ পৰশত সাৰ পাই উঠে। তাৰ পাছত আৰম্ভ হয় অপূৰ্ব ৰাগ-ৰাগিণীৰ খেলা। তেতিয়া এই সৰু হাড়-ওলোৱা আঙুলি কেইটা যাদুৰ কাঠী হৈ পৰে।

মাষ্টৰৰ কথাবোৰো কঁপা কঁপা। কথা বৈ বৈ কয়। কিন্তু ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাৰ সময়ত আকৌ এইবোৰ দোষ নেথাকে। নিখুঁত উচ্চাৰণেৰে পাঠদান কৰে। মাতটোত অকণো দোষ নেথাকে।

তিৰুনেলভেলীৰ গোবিন্দন ডাক্তৰে কয়, কেচটো সম্পূৰ্ণ চাইকোলজিকেল। গোটেই কেচ্ হিষ্ট্ৰীটো ল'ব পাৰিলেহে চিকিৎসা কৰিব পাৰি। কিন্তু মাষ্টৰে এইবোৰলৈ কাণসাৰ নিদিয়ে।

পিটাৰে ক'লে—সময়মতে খোৱা-বোৱা নকৰাৰ ফলতেই আপোনাৰ দেহৰ এই অৱস্থা।

পিটাৰৰ কথাত হয়ভৰ দি আগুিয়ে ক'লে—আচল কথাই কৈছে। কেতিয়াবা গোটেই দিনটোতে ভাত এমুঠি পেটত নপৰে। এনেকৈ চলিলে শৰীৰ কেনেকৈ ভালে থাকিব ?

# 10

জানুৱাৰী মাহ আৰম্ভ হৈছে। এন্টনীয়ে গৰমত চট্‌ফটাই আছে। এনেকুৱা গৰম আগতে হোৱা নাছিল। তদুপৰি ট্ৰেনখনো সৰু, ডবাটোও সৰু। তঞ্জুকুড়ি এক্সপ্ৰেচ। মাদ্ৰাৰ পৰা এৰি পূব-দক্ষিণলৈ দৌৰিছে। ঢুকাযে ধূলিধূসৰ পথাৰ।

এন্টনীয়ে গৰম চুট পিন্ধিছে। লণ্ডনৰ পৰা চৈধ্য বছৰৰ পাছত আহিছে। এই অঞ্চলৰ জলবায়ুৰ কথা সি পাহৰাৰ নিচিনাই। সি জেকেটটো খুলি চিটৰ ওপৰত থৈছে। তাৰ ছাৰ্টটো ঘামত তিতিছে। পিয়াহত তাৰ অণ্ঠ-কণ্ঠ শুকাই গৈছে। কম্পাৰ্টমেন্টৰ ফেন দুখন খুব ঘূৰিছে। বতাহো জুই যেন গৰম। গা পুৰি যোৱা যেন লাগে। গোটা কম্পাৰ্টমেন্টটোত ধূলি আৰু কয়লা-গুড়ি।

গাড়ীখনৰ গতিতকৈ জোকাৰণিহে বেছি। পেটৰ নাড়ীভূৰি বাজ হৈ যাব খোজে। থিয় দিব নোৱাৰি। মনে মনে বহি থকাও টান। এন্টনীয়ে ট্ৰাওজাৰটো খুলি পেলালে। ৰিজাৰ্ভ কৰা কম্পাৰ্টমেন্টটোত দ্বিতীয় যাত্ৰী নাই। দিনৰ দহটা বাজিছে। এতিয়াই বাহিৰলৈ চালে চকুত ধৰে। সি ত্ৰিচিত কিনা এখন টাৱেল পানীত তিয়াই তাৰে মুখচকু ঢাকি শুই পৰিল। খিৰিকীৰ চাটাৰ কেইখন নমাই দিলে।

এই ফালেদি আহিব লাগিব বুলি এন্টনীয়ে দুদিনৰ আগতেও জনা নাছিল। হাই কমিচনাৰ কৃষ্ণ মেননে তাক অল্ডউইচৰ অফিচলৈ মাতি আনি এখন কেবোল হাতত গুজি দি কৈছিল—এন্টনী, ইউ হেভ্ টু গ'। ইয়ৰ ফাদাৰ ইজ ডাইং—। ইতিমধ্যে এন্টনীয়ে কেবোলখনত চকু ফুৰালে। কৃষ্ণ মেননে পি.এ.-ক মাতিলে।

এন্টনীয়ে কেবোলখন পি এ.-ক ঘভোটাই দিয়াত তেওঁ আচৰিত হ'ল।

—গ্ৰান্ট হিম থ্ৰি মান্থচ্ ফাৰ্লো— কৃষ্ণ মেননৰ আদেশ।

—আপোনাৰ পিতৃ অসুস্থ। মৃত্যুশয্যাত। আচৰিত কথা! মোৰ ধাৰণা আছিল যে আপোনাৰ কিজানি কোনো আপোন মানুহ নাই। কিন্তু ইমান দিন—। পি. এ-ৰ মন্তব্য।—যেয়ে হওক, এতিয়া এখন দৰ্খাস্ত দিয়ক। মই ফাৰ্ষ্ট চেক্ৰেটেৰীক টেলিফোনত কৈ দিছোঁ। আপোনাৰ বহু দিনৰ ছুটী পাওনা হৈ আছে।

একে দিনাই হিথ্ৰোৰ পৰা চান্তাক্ৰুজ। এবছৰ-দুবছৰ নহয়। চৈধ্য বছৰৰ

মুৰত। বনবাসৰ পৰা ৰাম অযোধ্যালৈ অহাৰ নিচিনা। এন্টনীয়ে মনে মনে হাঁহিলে। সপ্তকাণ্ড ৰামায়ণ। জীৱনততো বহুত কাণ্ডই ঘটিছে। এইবাৰ কি লঙ্কাকাণ্ড?

উনৈশ শ সাতত্ৰিশ চনৰ চব্বিশ ডিচেম্বৰ। ক্ৰীচমাচ ইভ। তাৰ পাছৰ 'সকলোবোৰ' ক্ৰীচমাচ্ বিদেশতে পাৰ হৈছে। গৈছিলোঁ বৃটিছৰ ভাৰতৰ পৰা, ঘূৰি আহিছোঁ স্বাধীন ভাৰতলৈ। এন্টনীয়ে মুখৰ পৰা টাৰেলখন আঁতৰাই বহি পৰিল। খিৰিকীৰ চাটাৰ কেইখন তুলি দিলে। বোম্বাইত আকাশী জাহাজৰ পৰা নামি মাটিত ভৰি দিয়াৰ লগে লগেই তাৰ অন্তৰত ৰোমাঞ্চ। এইখন দেশৰ আকাশ নিৰ্মল। বতাহ নিৰ্মল। ইয়াৰ মাটি পৱিত্ৰ। এই দেশৰ মানুহে নিজৰ স্বাধীনতাৰ অৰ্থে ৰণ কৰিছে। হাজাৰ হাজাৰ মানুহে প্ৰাণ আহুতি দি স্বাধীনতা অৰ্জন কৰিছে। কাজী নজৰুলৰ সেই গানটো? অঁ, অঁ, অলপ মনত পৰিছে।—ফাঁচীৰ কাঠত উঠি যি গালে জীৱনৰ জয়গান—ক্ষুদিৰাম—ভগৎ চিং—ভাঙ্কি আয়াৰ—। আৰু বহুত। হীৰাৰ টুকুৰা যেন দেশৰ সন্তানে দেশ-মাতৃকাৰ কাৰণে সকলো ত্যাগ কৰিছে। বৃটিছৰ নিৰ্যাতন মূৰত পাতি লৈছে। চি. আৰ. দাশ, গান্ধীজী, জৱহৰলাল, সুভাষচন্দ্ৰ......

কাষ্টম্‌চ্ এনক্লোজৰলৈ খোজ কাঢ়ি আহি সি শুনিছে—আপোনাৰ কি কি বেগেজ আছে খোলক।

—কি আৰু থাকিব? কেইটামান ট্ৰাওজাৰ, জেকেট, ছাৰ্ট, শ্লিপিং চুট—

—এইবোৰ কি? ফাইভ্ ষ্টাৰ, ৰয়েল চেলুট, এক্স নম্বৰ ওৱান। মাৰ্টেল্‌চ কোনিয়াক, ড্ৰম্বুই......

সুৰাৰসিক এন্টনীয়ে কেইটামান বটল লগত আনিছে।

—আপুনি ড্ৰিঙ্ক কৰে?

—কেছুৱেলি—

—আপুনি অলপ পৰ ৰওকচোন, বুলি কাষ্টম্‌চৰ ইন্সপেক্টৰে তাৰ টেবুলৰ ওচৰত এন্টনীক ৰ'বলৈ কৈ আঁতৰি গ'ল। সি দুঘন্টামান নাইকিয়া হ'ল।

এন্টনীয়ে থিয় দি ঘামিবলৈ ধৰিলে। হঠাৎ ইন্‌স্পেক্টৰৰ আবিৰ্ভাব হ'ল। তাৰ হাতত এখন বহী।

—মাত্ৰ এটা বটল এলাউড্। বাকী কেইটা বটলৰ বাবে আপুনি টেক্স দিব লাগিব। তদুপৰি মহাৰাষ্ট্ৰ প্ৰহিবিটেড্ এৰিয়া। এনেয়ে এটা বটলো দিব নোৱাৰি।

—মই এতিয়া মাদ্ৰাজৰ প্লেন ধৰিম।

—মাদ্ৰাজতো প্ৰহিবিশ্যন।

কেইটামান বটলৰ বাবে কাষ্টম্‌চে এটা জটিল পৰিস্থিতিৰ সৃষ্টি।

এণ্টনীয়ে ইফালে-সিফালে চালে। ওচৰৰ টেবুলৰ ভদ্ৰলোকৰ চাৰিটা চুটকেচত বহুত বিলাতী মাল: কেমেৰা, ঘড়ি, আৰু টেপ্ ৰেকৰ্ডাৰৰ পৰা ৰুটি ট'ষ্টাৰ, চুলি বন্ধা যন্ত্ৰ আদিলৈকে। মানুহটোৱে সমগ্ৰ ইউৰোপৰ বজাৰখন উঠাই অনাহেঁতেনহে সন্তুষ্ট হ'লহেঁতেন কিজানি। এজন চুট-টাই পিন্ধা ভদ্ৰলোকে ইন্সপেক্টৰৰ লগত কথা পাতিছে। তেওঁ চিগাৰেটৰ পেকেটটো দিছে। মানুহটো গহীন ধৰণৰ। বোধহয় সেই ভদ্ৰলোকৰ আত্মীয়। ইন্স্‌পেক্টৰে চুটকেচবোৰ খুলি বন্ধ কৰিছে। চক মাটিৰে দাগ দিছে। দহ মিনিটৰ ভিতৰত সকলো পৰীক্ষা কৰা শেষ হৈছে। আত্মীয়জনৰ হাতৰ পৰা এটা এন্‌ভেলপ ইন্স্‌পেক্টৰৰ হাতত পৰিছে।

এই সকলোবোৰ কাণ্ড এণ্টনীয়ে ভালকৈ লক্ষ্য কৰি আছে।

—হাণ্ড্ৰেড পাৰ্চেণ্ট টেক্স অন ফৰেইন লিকৰ। আপোনাক এতিয়া বটলবোৰ দিবই পৰা নেযাব। পাছত পাৰ্মিচন ডিক্লাৰেশ্যন দি লৈ যাব।

এণ্টনীৰ কাণত যেন সিহহে সোমাইছে।

—মই বটল কেইটা নিবলৈ মাদ্ৰাজৰ পৰা ইয়ালৈ কিয় আহিম ?

সি সময় কটাবলৈহে দুই-এক পেগ ড্ৰিঙ্ক কৰে। সেয়েহে তাৰ মনোমত মদৰ বটল কেইটামান সি লগত লৈ আহিছে। ইমান ভবা-চিন্তা নকৰাকৈয়ে।

—ঠিক আছে। টেক্স লওক, বটল কেইটা দিয়ক।

—তেনেকৈ দিব নোৱাৰিম। প্ৰহিবিটেড এৰিয়াত পাৰ্মিচন নহ'লে আপোনাক এটিও বটল দিব নোৱাৰিম।

—মই কিন্তু ফৰেইন চিটিজেন। ইণ্ডিয়ান এম্বাচিৰ এম্প্লয়ি—

—অ', হয়নে কি ? ইন্স্‌পেক্টৰ মুখত প্ৰসন্ন হাঁহি। তথাপি, বুলি কৈ সি এণ্টনীৰ ফালে চাই মিচিকি হাঁহিৰে ক'লে—আপুনি ইমানবোৰ বঢ়িয়া বঢ়িয়া বস্তু নিজেই ভোগ কৰিবনে ? আমাক ইয়াৰ অলপো ভাগ নিদিয়েনে ?

এণ্টনী হতবাক !

—ৰয়েল চেলুইট আপোনাৰ লগত যাওক। ফাইভ ষ্টাৰকে প্ৰেজেণ্ট কৰক। আমি দুয়োজনেইতো ভাৰত চৰকাৰৰ চাকৰিয়াল !

এণ্টনীয়ে সেইটো বটল তাৰ হাতত দিলে।

—উইথ প্লেজাৰ, আহক, আহক।

মানুহটোৱে বটলটোত কাগজ মেৰিয়ালে আৰু এণ্টনীক ধন্যবাদ জনালে। মিতমাত হ'ল। এণ্টনীয়ে বেগটো কান্ধত তুলি মাদ্ৰাজলৈ যোৱা প্লেনখনৰ ফালে লৰ মাৰিলে।

কাষ্টম্‌চ এনক্লোজাৰৰ বাহিৰলৈ আহোতেই জালত পৰা মাখিটোৰ ফালে মকৰাটো চোঁ মাৰি অহাৰ দৰে এটা ক্ষীণ দীঘল মানুহ দৌৰি আহি ওচৰ পালেহি।

—এনি ফৰেন মনি ? ভেৰি গুড্ এক্‌চেঞ্জ ৰেট ।—

এন্টনীৰ মনটো বিৰক্তিৰে ভৰি উঠিল। একো কথা নোকোৱাকৈ সি আগুৱাই গ'ল। ওচৰেদি দুজন বিদেশী গৈছিল। সিহঁতক মানুহটোৱে ভালকৈয়ে লম্ভিলে।—ভেৰি গুড্ এক্‌চেঞ্জ ৰেট ছাৰ······

বিদেশী দুজনৰ এজনে দাঁত কৰচি গালি-গালাজ দিলে। বাষ্টাৰ্ড বুলি কৈ ইজনক হাতত ধৰি টানি কৈ গ'ল—ডোন্ট বিলিভ দীজ বাষ্টাৰ্ড্‌চ্। ডোন্ট বিলিভ দীজ ইণ্ডিয়ান্‌চ্। তুমি নতুন দেশলৈ আহিছা। খুব সাবধান হ'বা। এই দেশৰ মানুহবোৰ হয় দগাবাজ, নহয় ভিক্ষাৰী।

কথাখিনি এন্টনীৰ কাণত আকৌ সীহ হৈ সোমাল। তাৰ মানুহটোক ঘোচা এটা মাৰি নাক-মুখ ভাঙি দিবৰ প্ৰবল ইচ্ছা হ'ল। এইবাৰ সেই দীঘল মানুহটোৱে এন্টনীৰ ওচৰৰ টেবুলৰ ( কাষ্টম এন্‌ক্লেভৰ ) মানুহটোক ধৰিলে, দুয়োৰে মাজত গোপন ফুচ্‌ফুচানি আৰম্ভ হ'ল। দুয়ো পায়খানাৰ ফালে গ'ল।

মাদ্ৰাজৰ এগ্‌মোৰ ষ্টেচনলৈ আহি সি বিবুধিত পৰিল। তাত কোনো ক্লাছৰ ৰিজাৰ্ভেচন পোৱা নগ'ল। ফাৰ্ষ্ট ক্লাছৰো, চেকেণ্ড ক্লাছৰো। চব আসন পূৰ হৈছে। এতিয়া কি কৰা যায় ? অগত্যা থাৰ্ড ক্লাছতে যাব লাগিব। কাউন্টাৰটো এৰি এন্টনী আন এটা কাউন্টাৰলৈ গ'ল।

—এইটো কেনেধৰণৰ কথা ? আপোনাৰ দৰে লোক থাৰ্ড ক্লাছত যাব ? চুটকেচত দেখিছোঁ লণ্ডনৰ চাব মৰা আছে। মোক টকা দিয়কচোন : মই চব ঠিক কৰি দিম।

এনেকৈ কৈ এজন সদাশয় ৰেল-কৰ্মচাৰী আগুৱাই আহিল।

পোন্ধৰ মিনিটৰ ভিতৰত ৰিজাৰ্ভেচনসহ ফাৰ্ষ্ট ক্লাছৰ টিকট আহি হাজিৰ। মাথোন দহ টকা বেছি ভৰিবলগীয়া হ'ল।

—আমি ওপৰৱালাকো ভাগ দিব লাগে। নিজৰ হাতত খুব কমহে থাকে। ৰেল-কৰ্মচাৰীজনে এনেকৈ খুব নম্ৰভাৱে ক'লে। এন্টনীৰ মুখত কথা নাই। তাৰ চান্তাক্ৰুজত বিদেশী দুজনে কোৱা কথাষাৰ মনত পৰিল : ইয়াৰ মানুহবোৰ দগাবাজ নাইবা ভিক্ষাৰী।

ট্ৰেনৰ কম্পাৰ্টমেন্টত গোটেই ৰাতিটো সি অকলে। কোনো দ্বিতীয় প্ৰাণীৰ লগত তাৰ দেখাশুনা হোৱা নাই। অথচ প্ৰতিটো চিটৰ বাবে ৰিজাৰ্ভেচন লিষ্টত একোটাকৈ নাম লিখা আছে। এইবোৰ কি কথা ? ইমান অন্যায় ! ইয়াকে ভাবি ৰাতি এন্টনীৰ টোপনি যোৱা নাছিল। বহুত ধৰণৰ চিন্তাই তাৰ মনটো তল-ওপৰ কৰিছিল।

গান্ধী-জৱহৰলালৰ ভাৰতবৰ্ষ !—যি চুৰি কৰিব তাক নিকটতম লেম্পপ'ষ্টত ফাঁচী দিয়া হ'ব। এয়া আছিল জৱহৰলালৰ স্বাধীনতাৰ আগৰ বক্তৃতা। ইয়াৰ

লগত এতিয়াৰ ছবিখন তেনেই সুকীয়া। বিলাতৰ পৰা ভাৰতৰ প্ৰকৃত ছবি বুজিব নোৱাৰি।

বিৰুধ নগৰ।

গৰমৰ প্ৰকোপত মুখ, কাণ আৰু মূৰৰ অৱস্থা কাহিল। এটা কল্ড ড্ৰিঙ্ক পালে ভাল হয়। এন্টনী ষ্টেচনটোত নামিল। ইফালে ইফালে বিচাৰিলে। একো পোৱা নগ'ল। খোৱা পানী অসহ্য গৰম। দুকাপ কফি খাই তৃষ্ণা দূৰ কৰি এন্টনী কম্পাৰ্টমেণ্টত উঠিল। এইবাৰ ইয়াত আন এজন যাত্ৰী উঠিল। চুট-টাই মৰা ক'লা চাহাব।

বিৰুধ নগৰ ষ্টেচনত ট্ৰেনখন ৰোৱাৰ আগৰ দৃশ্যটো মনত পৰি এন্টনীৰ মনটো বিষাদেৰে ভৰি পৰিছে। লাইনৰ দাঁতিয়ে দাঁতিয়ে সৰু সৰু তালপাতৰ পঁজাঘৰ। এইবোৰ বস্তি। বস্তিয়ে বহু ঠাই অধিকাৰ কৰিছে। মাজে মাজে সৰু ৰাস্তা। ৰাস্তাৰ ওপৰত এইবোৰ কোন? ইহঁত কি মানুহ? কেৱল হাড়সৰ্বস্ব শৰীৰটো ক'লা ছালেৰে আবৃত। কঁকালত সামান্য এডোখৰ কাপোৰ আঁৰা আছে। কাৰোবাৰ শৰীৰত তাকো নাই। মাইকী মানুহবোৰৰ ওপৰৰ অংশ প্ৰায়ে অনাবৃত। ধূলিবালিৰে লেতেৰা হৈ থকা ল'ৰা-ছোৱালীবোৰ কুকুৰ আৰু গাহৰিবোৰৰ লগত মিলি আছে।

বস্তিৰ দাঁতিৰ নৰ্দমাটোত ক'লা ক'লা বোকা। মুনিহ-তিৰোতা সকলোৱেই তাত মলত্যাগ কৰিছে। কুকুৰ-গাহৰিবোৰে অৰিয়াঅৰি কৰি সেই মলকে খাইছে। ই এক বীভৎস নৰক! বহু বছৰ ধৰি এন্টনীৰ এনে দৃশ্য চকুত পৰা নাছিল। এয়ে তেনেহলে সনাতন ভাৰতবৰ্ষ?

তাৰ মনত ঠাই পোৱা ৰোমাঞ্চখিনি চাস্তাক্ৰুজত ভাৰতৰ মাটিত ভৰি দিয়াৰ লগে লগেই বাষ্পীভূত হ'ল। বাহিৰত মৰুভূমি। সেউজবিহীন পথাৰৰ খাওঁ-খাওঁ মূৰ্তি। দুয়োফালে বালিৰ সমুদ্ৰ। মাজে মাজে মাথোন দুই-এজোপা তাল গছ। প্ৰখৰ ৰ'দে তাল গছবোৰ পুৰিছে।

—আপুনি লণ্ডনৰ পৰা আহিছে? ইংৰাজীত এটা প্ৰশ্ন। উচ্চাৰণ অদ্ভুত। এন্টনীয়ে ইমান পৰ লক্ষ্যই কৰা নাছিল যে এজনে তাক লক্ষ্য কৰি আহিছে। তাৰ চুটকেচৰ লেবেলটোত চাইছে।

—হয়। আপুনি কি ইয়াৰ……

—মই মিষ্টাৰ ৰত্নস্বামী নাড়াৰ। গ্ৰেন মাৰ্চেণ্ট এণ্ড অৰ্ডাৰ চাপ্লায়াৰ। মই বিৰুধ নগৰ মিউনিচিপালিটিৰ চেয়াৰমেন। আই এম এ ফলোৱাৰ অফ গান্ধীজী ··

—ষ্টেশন পোৱাৰ আগতে যে সেই বস্তি এলেকা……

—এইবিলাক হৰিজনৰ।

—চৈধ্য বছৰৰ আগতেও বস্তিবোৰ এনেকুৱাই আছিল।

—আপুনি দেশত চৈধ্য বছৰ নাছিল?

—ভাৰত স্বাধীন হোৱাৰ পাছত এই প্ৰথম আহিছোঁ। দেশৰ অৱস্থাৰ একো উন্নতি হোৱা নাই যেন লাগিছে।

—নিশ্চয় হৈছে। বিৰুধনগৰ এই অঞ্চলৰ আটাইতকৈ ডাঙৰ শস্যৰ বজাৰ। স্বাধীনতাৰ পাছত এই চহৰ বহুত ডাঙৰ হৈছে। ৰাস্তাবোৰ আহলবহল হৈছে, চহৰখন ডাঙৰ হৈছে, মানুহৰ উপাৰ্জন বাঢ়িছে। মই আছিলোঁ দুখীয়া ঘৰৰ ল'ৰা। নিজৰ চেষ্টাৰ বলত মই এতিয়া এজন মাৰ্চেন্ট। এই অঞ্চলৰ কংগ্ৰেছৰ চেক্ৰেটৰী। মিউনিচিপালিটিৰ চেয়াৰমেন। কংগ্ৰেছৰ বিখ্যাত নেতা কামৰাজ ইয়াৰে মানুহ। তেওঁক লৈ আমি গৰ্বিত।

—কিন্তু এই বস্তিবোৰ......

—ইহঁতক ভগবানেও ভাল কৰিব নোৱাৰে। ইহঁত অতি লেতেৰা, অতি অলস। মাথোন মদ-তাড়ি খাই হুলস্থূল কৰি থাকে। ইহঁতক কোনে সলনি কৰিব? ইয়াৰ বাহিৰেও......

এন্টনীয়ে আৰু কথা বঢ়াব নুখুজিলে। তাৰ মনত পৰিছে যে বিৰুধনগৰৰ পাছত চাতুৰ, তাৰ পাছত মানিয়াচি। মানিয়াচিত ৰেলগাড়ীখন ভালেখিনি সময় ৰ'ল। ইয়াৰ পাছতেই তুত্ত্কুড়ি। আৰু এঘণ্টাৰ বাট।

এন্টনীয়ে টাৱেলখন তিয়াই তাৰে আকৌ মুখখন আববিলে। সি দীঘল দি পৰিল। তুত্ত্কুড়িৰ কথাইহে তাৰ মনটো সম্পূৰ্ণ অধিকাৰ কৰিলে।

ফাদাৰকে গড্‌উইনৰ পছন নহয়। মাদাৰ চুপিৰিয়ৰো কন্‌ভেন্টৰ পৰা আহি পালেহি। তেওঁৰো বহুত বয়স হৈছে। গড্‌উইনে তেওঁক বৰ শ্ৰদ্ধা কৰে।

মাদাৰে গড্‌উইনক ব্লেছিং দিলে। শেহত ফাদাৰ এক্সট্ৰিম একচনৰ—চূড়ান্ত কাৰ্যব্যৱস্থাৰ ব্যৱস্থা কৰিলে। নিদানৰ, চূড়ান্ত প্ৰায়শ্চিত্তৰ। পাপৰ পঙ্কত জীৱৰ জন্ম হয়। জীয়াই থকা কালত জীৱই পাপ কৰে। ঈশ্বৰৰ কৃপা লাভ কৰিবলৈ হ'লে সেই পাপৰ প্ৰায়শ্চিত্তৰ প্ৰয়োজন। প্ৰায়শ্চিত্তৰ যোগেদিহে আত্মাই পৰম শান্তি লাভ কৰে। এয়ে নিদান।

গড্‌উইনৰ মূৰৰ দুকাষে দুডাল মম জ্বলিল। সৰু সৰু মম। ফাদাৰে গড্‌উইনৰ গাৰ কাপোৰকানি খুলি পেলালে। গোটেই গাত আৰু ভৰিত স্বৰ্গীয় ঔষধ মাখিলে। অলিভ অইল। তেওঁৰ গভীৰ কণ্ঠত স্তোত্ৰৰ নিচিনা মন্ত্ৰ। লেটিন ভাষাৰ শ্লোক। ই এনে অৰ্থ বহন কৰে: তোমাৰ সকলো ৰোগৰ নিৰাময় হওক। তুমি দিব্যদেহ ধাৰণ কৰা। তোমাৰ সকলো ধৰণৰ যন্ত্ৰণাৰ এয়ে শেষ।

ঘৰটো সম্পূৰ্ণ খালি হ'ল। ঘৰৰ মানুহ, বাহিৰৰ পৰা মানুহ, আত্মীয়স্বজন আৰু বন্ধু-বান্ধৱ এতিয়া সকলোৱেই বাহিৰত থিয় দি থাকিল। কাৰো মুখত কথা নাই। চৌদিশে অসহ্য নীৰৱতা। সকলোৰে চকু সেমেকা। কাৰণ, গোটেই পৰিৱেশটোৱেই সুকীয়া হৈ পৰিল। অতি গহীন পৰিৱেশ। অতি পৱিত্ৰও। এই পৰিৱেশ সাধাৰণ সুখ-দুখৰ উৰ্ধত।

ঘৰৰ দুৱাৰ বন্ধ। মন্ত্ৰৰ শব্দও বন্ধ। বাহিৰৰ পৰা একোৱেই শুনা নেযায়। ভিতৰত মৃত্যুৰ দুৱাৰ-দলিত থিয় হৈ গড্‌উইনে স্বীকাৰোক্তি—কনফেচন—কৰিছে। বেভাৰেণ্ড ফাদাৰ অমলনাদন ভিক্টোৰিয়াই ব্যগ্ৰ হৈ শুনিছে।

গড্‌উইনৰ পাপ-পুণ্যৰ কাহিনী কোৱা শেষ হ'ল। ফাদাৰে আকৌ গম্ভীৰ সুৰত মন্ত্ৰপাঠ কৰিলে। এৱচ'লিউচান। ঈশ্বৰৰ ক্ষমা। ফাদাৰ ঈশ্বৰৰ দূত। তেওঁ ঘোষণা কৰিলে: গড্‌উইন, তুমি এইবাৰ সকলো পাপৰ পৰা মুক্ত হৈছা। কৰুণাময় পিতাই তোমাৰ সকলো অপৰাধ ক্ষমা কৰিছে। তুমি তেওঁৰ ওচৰলৈ যাবৰ বাবে এতিয়া যোগ্যতা অৰ্জন কৰিছা।

ফাদাৰে নিজেই দুৱাৰ খুলিলে। সকলোৰে লগতে এন্টনীও ভিতৰ সোমাল। তাৰ বুকুৰ ওপৰত এতিয়া এটা শিলৰ বোজা।

ফাদাৰে ক'লে—গড্‌উইন ফাৰ্ণাণ্ডো ঈশ্বৰৰ সন্তান। তেওঁ প্ৰকৃত ধাৰ্মিক ক্যাথলিক খ্ৰীষ্টান। পৰমপিতাই তেওঁৰ সকলো দোষ মৰিষণ কৰি নিজৰ কৰি লৈছে। এতিয়া তেওঁ আমাৰ সকলোৰে ক্ষমা বিচাৰিছে।

সকলোৱেই এজন-এজনকৈ আগুৱাই গৈছে। ঘৰৰ সকলো। মাৰিয়াদাচন, আঞ্জেলা, সকলো দাসদাসী। ওচৰচুবুৰীয়া। নাৱৰীয়া মাল্লাবায়ো গৈ আঠু কাঢ়ি গড উইনৰ মৰা হাতটোত চুমা খাইছে। সকলোৱে চকুলো টুকিছে।

ইমান ডাঙৰ ঘৰটোত এন্টনী তেনেই অকলশৰীয়া। বাহিৰৰ মহলটো তেনেই খালি। মাজৰটোত দুটামান মানুহে হিচাবপত্ৰ কৰিবলৈ বহে। এন্টনী ভিতৰৰ মহলত। আঙেলাই আজিকালি ৰান্ধনি-ঘৰৰ পৰা নোলায়েই। মাৰিয়াদাচনো ঘৰতে সোমাই থাকে। তাক কাচিৎহে দেখা যায়। গড্‌উইনৰ লগে লগে তাৰো অৰ্ধেক কবৰ হ'ল যেন লাগে। ঘৰৰ কাম কৰা চাকৰ-চাকৰণীৰ সংখ্যাও কম। সিহঁতে নিঃশব্দে কাম কৰি থাকে।

এনে হেন প্ৰকাণ্ড ঘৰটো যেন মৰুভূমিহে। কেৱল ঘৰটোৱেই নহয়, গোটেই তুণ্ডুকুড়ি চহৰখনেই মৰুভূমি। মই ইয়াত চৈধ্য বছৰ নাছিলোঁ। মোকনো চহৰৰ কেইটা মানুহে চিনি পায়? তাৰ আগতে দহ বছৰ হোৱাৰে পৰা কলিকতাত। মাজে-মাজেহে ঘৰলৈ আহোঁ। তেতিয়া মোক দুটা-চাৰিটা মানুহে ভালকৈ জানিছিল। পিটাৰ মোৰ বন্ধু......

সৰু কালত এইটো ঘৰত বহুত মানুহ আছিল। আত্মীয়স্বজন, অমুকৰ তমুক, আলেকৰ পালেক, বহুতো। গোটেই ঘৰটোত হুলস্থুল। তেতিয়া অকলশৰে থকাৰ উপায় নাছিল। তেতিয়া এই তিনিমহলীয়া ঘৰটোৱেই আছিল এন্টনীৰ পৃথিৱী।

এন্টনী নিৰ্বিকাৰ হৈ ঘূৰিছে। এবাৰ সমুখৰ বাৰান্দাত, এবাৰ পিছফালৰ বাৰান্দাত। সি হঠাৎ মাকৰ ঘৰটো দেখিছে। ঘৰটো খোলা।

সি মাকৰ ঘৰটোত সোমাল। দুৱাৰ চেৰাই দুখোজ দিয়াৰ পাছতেই ওচৰতে মাকক দেখিলে। বেৰত মাকৰ এখন ডাঙৰ অইল পেইন্টিং। এন্টনী গুচি যোৱাৰ পাছত কিজানি দেউতাকে এইখন পেইন্টিঙৰ ব্যৱস্থা কৰিছিল।

ঘৰটো পৰিষ্কাৰ। দেখিলেই ধৰিব পাৰি যে ঘৰটো সদায় পৰিষ্কাৰ কৰা হয়।

মাকৰ মুখত দুঃখ পুঞ্জীভূত। পেইন্টিঙৰ মাক এন্টনীয়ে সৰুতে দেখা মাকৰ দৰেই। আচৰিত কথা যে ইমান দিনে তাৰ মাকলৈ মনতে পৰা নাছিল। এতিয়াহে মনত পৰিছে।

এন্টনীৰ গোটেই শৰীৰটোৱেই আনৰ শৰীৰ যেন লাগিছে। তাৰ মন উদাসীন। সি বুজিব পাৰিছে যে তাৰ মনৰ ওপৰৰ পৰা চেনিৰ কোটিং এটা গলি গৈছে। চৈধ্য বছৰৰ বিলাতী কোটিং।

মাকৰ বুকুত এন্টনী। সৰু এন্টনী। বয়স ছয় বা সাত। মাকৰ বুকুখন ফুলি উঠিছে। সি খুব কান্দিছে। মাকে তাক বুকুত জোৰেৰে সুমুৱাই লৈছে। মাকেও কান্দি কান্দি কথাবোৰ কৈছে।—শোন, মই আৰু কি কম? বৰ করুণ কথা। মই বৰ অসহায়।……

এন্টনীয়ে বুজিব পাৰিছে যে কথাখিনি মাকে তাক কোৱা নাই। নিজক নিজে কৈছে। পিচ্চাম্মাই মাকক ধমক দিছে—শুন বোৱাৰী। তোৰ স্বামী জনাজাত মানুহ, সন্মানিত ব্যক্তি। সি কি তোৰ আঁচলত ধৰি চলিব? আমাৰ মীন-পাৰোৱা সমাজত এইটো বৰ লাজৰ কথা। সি বহুত কাম কৰিব লাগে। পুৰুষ পুৰুষেই। বাহিৰত অলপ অচৰপ ফুৰ্তি নকৰিলে—তাকো মাথো দুসপ্তাহ…

মাকৰ গাত হাত দি পিচ্চাম্মাই কৈছে—ৰাম আয়েঙ্গাৰে এজনী পৰী যেন ছোৱালী আনিছে। বৰ ধুনীয়া। আচল বামুণৰ ছোৱালী।

ইয়াকে শুনি মাকে বেছিকৈহে কান্দিছে।

—বাইদেউ, মোক ধৰা। মোৰ বুকুখন বৰকৈ ধপ্‌ধপাইছে।

এদিনৰ গভীৰ ৰাতিৰ ঘটনা। মাকৰ ওচৰত এন্টনী টোপনিত লালকাল। হঠাৎ এটা গৰ্জন শুনি তাৰ টোপনি ভাগিল। ঘৰত সেউজীয়া লাইট। সেই পোহৰত এটা দৃশ্য দেখি তাৰ ভয়ত পেটতে হাত-ভৰি লুকুৱা অৱস্থা। বিছনাৰ দাঁতিত এটা দৈত্য। প্ৰকাণ্ড শৰীৰটো সম্পূৰ্ণ উলঙ্গ। গাত আৰু মুখত এটা দুৰ্গন্ধ।

এন্টনীয়ে ভয়ত চকু মুদি দিছে। দৈত্যটোৱে গৰ্জন কৰি মাকক কৈছে—আহ, মোৰ বিছনালৈ আহ।

মাকৰ মাতটো সৰু। কিন্তু সেই মাতত কঠিন জেদ।—নহ'ব। মই নেযাওঁ।

এন্টনীয়ে নিৰ্বাক বিস্ময়েৰে সকলো চাই আছে। সি শোৱাৰ ভাও জুৰি চব লক্ষ্য কৰি আছে। দৈত্যটোৱে মাকক আক্ৰমণ কৰিছে। মাকৰ বুকুত এতিয়া অকণো কাপোৰ নাই। যতনে লুকুৱাই ৰখা, এন্টনীৰ আদৰৰ ঠাইকণ এতিয়া খোলা। সেই মাখন যেন কোমল দুটা বল। এন্টনীয়ে মাকৰ কোলাত শুই সেই কোমল বল দুটা লিৰিকি বিদাৰি খেলা কৰে, মাজে মাজে তাত মুখখন লগাব খোজে। মাকে দুষ্ট ল'ৰা বুলি তাক ধমক দিয়ে। এন্টনীয়ে খিল-খিলকৈ হাঁহে। এতিয়া সেই ঠাইত পৰিছে বাঘৰ খামোচ। মাকে গোটেই শৰীৰটো কোঁচ খুৱাই পেলাবলৈ চেষ্টা কৰিছে। জেদ এৰা নাই। সেয়েহে আকৌ বাঘৰ আঁচোৰ! ৰাক্ষসটোৱে যেন বুকুৰ পৰা মাংসপিণ্ড ছিঙিহে লৈ যাব। ই কি মাকৰ মাংস খাব?

মাকৰ কান্দোন সি শুনিছে। মাকে কৈছে—তুমি খোৱা। আমাৰ সন্তানৰ আগতে……

দানবটোৱে উগ্ৰ মূৰ্তি ধৰিছে ; ফোঁপাইছে। সি টানি-আজুৰি মাকৰ গোটেই-খিনি কাপোৰ খুলি পেলাইছে। মাকৰ গাটো জোৰেৰে সাবটি লৈছে। ই মাকৰ কলিজাটো ফালি-ছিৰি খাবনে কি ? বুকুত মুখখন দি মাকৰ তেজবোৰ শুহি নিবনে কি ?

এন্টনীয়ে আৰু সহিব নোৱাৰিলে। খুব জোৰেৰে কান্দিবলৈ ধৰিলে। দানবটোৱে মাকক এৰি ধলং-পলংকৈ আঁতৰি গ'ল। সি দেখিলে যে মাকৰ বুকুৰ পৰা তেজ নিগৰিছে। মাক অজ্ঞান। শবটোৰ দৰে পৰি আছে।

তাৰ মাক চিৰদুখিনী। ছবিতো সেই দুখৰ চিন মুখত ফুটি উঠিছে। এন্টনীয়ে অজানিতে এটা দীঘল হুমুনিয়াহ কাঢ়িলে।

অথচ ল'ৰা-ছোৱালীৰ মাকেইহে আশ্ৰয়। মোৰ সৰু কালত মাকহে একমাত্ৰ আশ্ৰয় আছিল। দেউতাতো মোৰ মানত অতি দূৰৰ মানুহ। ভিতৰৰ মহল আৰু বাহিৰৰ মহলৰ মাজত যেন এখন সাগৰহে। দেউতালৈ মোৰ বৰ ভয়। দূৰে দূৰে পলাই থাকোঁ। মুখামুখি হ'লে আঁতৰি যাওঁ। মাৰ কোলাত কিন্তু বৰ আৰাম, বৰ স্বস্তি। তাত আদৰ, হাঁহি, গান, খেলা। মায়ে সদায় মোক এনেকৈ মৰমেৰে মাতে—মোৰ সোণ, মোৰ সোণটো......

মাৰ মুখৰ পৰা মৌ বৰষিছিল। মৌৰ সোৱাদ মধুৰ। আধা সাৰ পাই থকা অৱস্থাত সেই মধুৰ সোৱাদ......

এইবোৰ কথা মনত পৰাত এন্টনীৰ অন্তৰখন হাঁহাকাৰ কৰি উঠিল।

এইটো ঘৰতে মাকৰ দেহটো পৰি আছে। এন্টনীয়ে দেখিছে। এই দেহ নিশ্চল। মাকৰ বুকুখন উঠা-নমা কৰিছে। মুখখন নীলা। ওঁঠ দুখন ক'লা। কোৱাৰিয়েদি লেলাৰতি বৈছে। এন্টনীয়ে এই দেহটোত ধৰি কৈছে—মা, উঠা, মা, মোৰ মা......

মাকে মাজে মাজে খেলা কৰিছিল। মৰি থকাৰ ভাও জুৰিছিল। উশাহ-নিশাহ বন্ধ কৰি শুইছিল। এন্টনীক ভয় দেখুৱাইছিল। এন্টনীয়ে কন্দা যেন পালেই খিল-খিলকৈ হাঁহিছিল। কিন্তু তাকো অলপ দিনৰ কাৰণেহে। এন্টনীয়ে কান্দি কান্দি বিহ্বল হৈ কৈছিল—মা, উঠা......

আঞ্জেলাই সোমাই আহি সকলো দেখা পাই হায়ে-বিয়ে লগাইছিল। পিচ্চাম্মা দৌৰি আহিছিল। তাৰ পাছত আৰ্তনাদ। ভয়, চকুলো।

পিচ্চাম্মাই বাৰে বাৰে তাৰ মাকৰ বুকুত হাতখন থৈছিল। নাকৰ ওচৰত তুলাৰ পাঁজি ধৰিছিল। চকুৰ পতা দুখন মেলি চাইছিল। তাৰ পাছত বিয়াকুল হৈ কান্দিছিল। মাকৰ মুখৰ ওপৰত চাদৰখন ঢাকিছিল। চাকৰণী এজনীয়ে এন্টনীক তাৰ পৰা আঁতৰাই আনিছিল। এন্টনীয়ে চিঞৰিছিল—মাৰ গাত কিয় সাৰ-সুৰ নাই ? মা উঠা নাই কিয় ?

সকলো ব্যস্ত। ডাক্তৰ আহিল। ঘৰৰ মানুহৰ মুখ শুকান। হঠাৎ সকলো নীৰব। গোটেই ঘৰখনত দুখৰ ক'লা আন্ধাৰ। সকলোৰে চকুত পানী—

সেয়ে মাকক তাৰ শেষ দেখা।

এই ছবিবোৰ ক'ত থাকে? মাকৰ কথা এন্টনীৰ এনেকৈ মনত পৰা নাছিল। অথচ এই ছবিবোৰ ইমান দিন মনৰ ভিতৰত আছিল।

মাকৰ ঠাইত আন্মি, সুৰ-সুন্দৰী দেবী। ভবানীপুৰৰ বকুলবাগানৰ সেই ঘৰটো। ওচৰত এজোপা খেজুৰ গছ। গছজোপাৰ পাঁচোটা মূৰ। কিন্তু সেয়া পাছৰ কথা। তাৰ আগতে এটা ল'ৰাই তাৰ হেৰোৱা মাকক বিচাৰি ফুৰিছে। প্ৰতিটো মহলত, প্ৰতিটো কোঠাত। চাৰিওফালে। মাক অহা নাই কিয়? পিচ্চাম্মাই কথা নকয়। কেৱল কান্দে। আঞ্জেলাই কয়—ফুৰিবলৈ গৈছে। কন্যাকুমাৰীলৈ, মাকৰ ঘৰলৈ। আকৌ আহিব……

পিটাৰে কৈছে—তোৰ মাৰ মৰিল; মাটিত কবৰ দিলে। তেওঁ কেতিয়াও আৰু ঘূৰি নাহে।

ঘৰত মাকক সি বিচাৰি পোৱা নাই। কোনেও গম নোপোৱাকৈ এন্টনীয়ে মাকক বাটত বিচাৰিছে। কাৰণ, মাক নহ'লে সি এক মুহূৰ্তও থাকিব নোৱাৰে। মাকৰ গাত সাবটি শুবলৈ নেপালে তাৰ টোপনিকে নাহে। সি মাকক বিচাৰি উলিয়াবই।

সি বিচাৰি বিচাৰি সাগৰৰ পাৰ পালেগৈ। ওচৰত লোণৰ অফিচটো। ক'তো জনপ্ৰাণী এটা নাই। পাৰত বহুত কাঁইটীয়া গছ। পানীলৈকে বালি।

মাকে তাক এই ঠাইলৈ কেতিয়াও আহিবলৈ নিদিছিল। এই ঠাইত ভূত-প্ৰেত, জিন আৰু পৰীবোৰ থাকে। সিহঁতে সৰু ল'ৰা পালেই গ'ল টিপি মাৰে আৰু গিলি খায়। কেতিয়াবা ড্ৰাইভাৰে এই ঠাই পালেই তৎমুহূৰ্তে গাড়ীখন ঘূৰাই নিয়ে। ঠাইখন ৰহস্যময়। এন্টনীৰ ভয় লাগিছে। কিন্তু এই ঠাইলৈ আহি তাৰ ভাল লাগিছে। ওচৰত দুপৰৰ নীলা সাগৰ। দূৰৈত দ্বীপসমূহৰ সোণালী ৰেখা……। পানীয়ে যেন তাক হাত বাউল দি মাতিছে। সাগৰৰ বিস্তৃতি অনন্ত।

এবাৰ সাগৰত নামিলে কেনে হয়? মানুহ মৰি থাকে মাটিৰ তলত। সিহঁত সাগৰৰ তলতো থাকে নেকি? মাক বিচাৰি উলিয়াবই লাগিব। লুকাভাকু খেলা। বুৰ মাৰিয়েই দেখিম যে পানীৰ গৰা ওলাই মাই হাঁহিমুখে হাতখন আগবঢ়াই দিছে আৰু কৈছে—সোণ, তই মোক ধৰা পেলালি। এনেকৈ কৈ মাকে তাক আকোৱালি ল'ব।

এন্টনীয়ে গাৰ সাজ-পোছাক খুলিছে। এনেতে পিটাৰ দৌৰি-দৌৰি সেই ঠাইত হাজিৰ। সি খুব ফোঁপাইছে। ফোঁপাই-ফোঁপাই কৈছে—খবৰদাৰ, পানীত

এন্টনীয়ে মনে মনে হাঁহিলে। নিম্ফোমোনিয়াক……

—হেল্লো মিষ্টাৰ ফার্ণাণ্ডো……

কান্ধৰ ওপৰত মৃদু চাপ। ওপৰত চুচানৰ ফাঁহ লগা গলাৰ মাত। সি চিকাৰী বোন্দা। ঠিক নজৰ দি আছে। চুচানৰ হাঁহিও বেচ মধুৰ হৈ পৰিছে। জিলক মাতি আনি সৰু ধমক এটা দি সি কৈছে—তোমালোক কি মানুহহে? এগৰাকী গণ্যমান্য অতিথি। মানে বিশিষ্ট অতিথি। এনে অতিথিক টিনৰ চকিত বহুৱাইছা কি? তোমালোকৰ দেখিছোঁ কাণ্ডজ্ঞান বোলা বস্তুটো নহ'ব।

এজনী দহ-এঘাৰ বছৰীয়া ছোৱালীয়ে বিশ্বপৰ কাষত থিয় দি উদ্বোধনী সংগীত গাইছে। তাই অতিপাত শকত। জুৱেলাৰী দোকানৰ শ্বো কেচৰ দৰে। মাতটোও তথৈবচ। তামিল সংগীত। কথাবোৰ ভালকৈ ফুটা নাই। কি যে গাইছে তাইহে জানে; আন কাৰো বুজিবৰ সাধ্য নাই। তথাপি পিছ ফালৰ পৰা এজনে ডাঙৰ ডাঙৰকৈ কৈছে—বাঃ, বেচ গাইছে। তোমাৰ ছোৱালীৰ মাতটো বৰ মিঠা……

জাকি পেৰেৰাই তৎমুহূর্তে উত্তৰ দিছে—এৰা, বহুতেই এনেকৈ কৈছে। মই ভাবিছোঁ, এইক কর্ণাটক মিউজিক শিকিবলৈ দিয়াটো ভাল হ'ব। গতিকে তুমি এদিন মোৰ তালৈ সন্ধিয়া আহিবাচোন। ছোৱালীৰ গান শুনাও হ'ব, খোৱা-বোৱাও কৰিবা।

এন্টনীৰ অবাধ্য দৃষ্টি জয়াম্মাৰ ওপৰত। জয়াম্মাৰ মুখত বিদ্রূপৰ হাঁহি।

গান শেষ হ'ল। এইবাৰ বিশ্বপৰ কথা। তেওঁৰ মাতটো গহীন যদিও কর্কশ। ম'ৰা চৰাইৰ মাতৰ দৰে। বিশ্বপে ইংৰাজীত কৈছে—জেক আৰু জিল। দুয়োজন ককাই ভাই একান্ত ঈশ্বৰ-বিশ্বাসী। গড্-ফিয়েৰিং। ধর্মভীৰু। কেথলিক মৰেলিটিৰ জীৱন্ত প্রতীক।……

ওচৰত আকৌ সেই নির্লজ্জ হাঁহিৰ খিলখিলনি। এইবাৰ জয়াম্মাই মুখত ৰুমাল গুজি হাঁহিটো দমাব খুজিছে। চুচান কার্দোজাৰ চেলাউৰি কোঁচ খাইছে।

বিশ্বপৰ বক্তৃতা চার্চত দিয়া বক্তৃতাৰ দৰেই গতানুগতিক। ঈশ্বৰ বিশ্বাস। ফলত ঐহিক সুখ। প্রচুৰ ধনসম্পত্তি। বিশ্বাস যিমান বাঢ়ে, সুখ-সম্পদো সিমানে বাঢ়ে। সেইবাবেই এওঁলোক দুজনৰ বেচ ধন-সম্পত্তি হৈছে আৰু দুখীয়াক সহায় কৰিছে। ইত্যাদি।

বিশ্বপৰ পাছত মিষ্টাৰ মেক্লাউড। তেওঁৰ ইংৰাজী স্পষ্ট। তেওঁ পোনতে জেক-জিলৰ মৃত পিতৃ আলফ্রেড পেৰেৰাৰ নাম ল'লে। তেওঁৰ বিশ্বস্ততাৰ দৃষ্টান্ত দিলে। মাষ্টিফ কুকুৰৰ লগত তুলনা কৰিলে। পাহাৰা দিয়া কুকুৰ। হার্ডৱেৰ সম্পত্তিৰ পাহাৰাৱালা। অদ্ভুত প্রভুভক্তি। বিৰল দৃষ্টান্ত। তাৰ পাছত সেই গল্পটো……

প্ৰবল ধুমুহা হোৱাৰ বাবে সাগৰলৈ কোনো নাও নেযাব। অথচ আঠ মাইল দূৰত সাগৰত জাহাজ-ভৰ্তি মাল ৰৈ আছে। নাও নমাব নোৱাৰিলে প্ৰচুৰ টকাৰ অৰ্থদণ্ড হ'ব। আলফ্ৰেডে তেনে ধুমুহাতো নাও নি মাল আনিছিল। মেক্‌লাউডে সেই কাহিনীটো এতিয়াও পাহৰিব পৰা নাই। সেই কাৰণেই আজি তেওঁৰ দুই সন্তান পেৰেৰা কোম্পানীৰ মালিক।······

সভাত কাণ তাল মৰা হাততালি।

আকৌ সেই নিৰ্লজ্জ খিল-খিল হাঁহি। এইবাৰ মুখখন এন্টনীৰ পিনে। চকুত চছমা। এই চছমাৰে এন্টনীক দেখিছেনে নাই সন্দেহ।

—মিষ্টাৰ ফাৰ্ণাণ্ডো, কফি—

চুচানে চিকাৰ ধৰিছে। এন্টনীয়েই তাৰ চিকাৰ। সি কফিৰ কাপটো এন্টনীৰ ফালে আগুৱাই দিছে। লগতে এটুকুৰা পেষ্ট্ৰি। এটা মাংসৰ পেটিচো। এটা মাইচোৰৰ বৰফি। কেইটামান কাজু বাদাম।

কফিৰ কাপ হাতত লৈ এন্টনীয়ে চাৰিওফালে ভালকৈ চাই ল'লে। সকলোৰে হাতত পেকেট আৰু কফিৰ কাপ। সকলো খোৱাত ব্যস্ত। এন্টনীয়ে পেকেটটো কাষত থৈ কফিতহে মুখ দিলে।

পিছত বহা মানুহবোৰ আকৌ থিয় হৈছে। বিশ্বপ প্লেটফৰ্মৰ পৰা নামি লক্ষ্য স্থানলৈ খোজ দিছে। সকলো মানুহ থিয় হৈছে আৰু তেওঁৰ পিছ লৈছে। বিশ্বপৰ একাষত জেক, আনটো কাষত চুচান কাৰ্দোজা। দলটোৰ লক্ষ্য এতিয়া সমুদ্ৰ। ওচৰত প্ৰকাণ্ড তোনী ( নাও ), তোনিৰ বহনক্ষমতা এহেজাৰ টন। আজি সাগৰত নামিব। তাৰ পাছত'সাগৰ পাৰ হ'ব। অনেক বাৰ। তুত্তুকুড়িৰ পৰা চিলোন। তাৰপৰা বাৰ্মা, মালয়, চিঙ্গাপুৰ, হংকং। নতুন চকমকীয়া নাও। ইয়াৰ গাৰপৰা কাঠৰ গোন্ধ ওলাইছে। লগতে ৰঙৰ গোন্ধো।

দলটো নাৱৰ তলত। নাৱৰ এটা মূৰ মাটিৰ পৰা ত্ৰিছ ফুট ওপৰত। নাৱৰ গাত জখলা লগোৱা আছে। বিশ্বপ মহাশয়ে জখলাইদি ওপৰলৈ উঠিছে। লগত জেক আৰু জিল, মেক্‌লাউড আৰু কেইটামান মানুহ। চুচান উঠাৰ আগতে এবাৰ এন্টনীক মাত লগালে। সি সকলোৰে শেষতহে জখলাত উঠিছে।

চুচানে প্ৰতিটো খলপাত উঠি মুখ বিকটাইছে। তাকে দেখি চুচানৰ বাত-বেমাৰ আছে বুলি এন্টনীৰ সন্দেহ হৈছে। চুচান কোঁপাই-জোঁপাই নাৱৰ শূন্যত থকা মূৰটোত উঠিছেগৈ। তাৰ বহু আগতেই আনবোৰ উঠিছেগৈ।

এইখন নাও নে জাহাজ! দুটা বিৰাট মাস্তুল। মাস্তুলৰ গাত কেবাডালো কলগছ বন্ধা আছে। ৰঙা কাগজ শিকলিৰ দৰে কাটি তাৰে নাৱৰ টিং দুটা সজোৱা হৈছে। তাত ফুলৰ মালাও ওলোমোৱা আছে, চন্দনো লিপা হৈছে। নাওখন যেন বিয়াৰ কইনাহে। নাৱৰ গাত তামিল ভাষাত এটা নাম লিখা

এন্টনীও নিশ্চয়……। এনে এটা পৰিস্থিতিত মেৰীক বিয়া কৰোৱাটো অত্যন্ত অসুবিধাজনক।

দেশত প্ৰশাসনত ইতিমধ্যে ঘূণে ধৰিছেই। এইবোৰ কি হৈছে? দিল্লীখন দেখি তাৰ ভাব হৈছে শাসনতন্ত্ৰ যেন কিছুমান মানুহৰ পৈত্ৰিক সম্পত্তিহে। এড্‌মিনিচ্‌ট্ৰেচন তেওঁলোকৰ নিজৰ নিজৰ হুইম্‌চ এণ্ড ফেনচিচ্‌। আই. চি. এছ. অধ্যুষিত পঁচা বুৰ'ক্ৰেচিয়েই হ'ল প্ৰশাসন। কিন্তু জৱহৰলাল! দেশেই তেওঁৰ জীৱন, জীৱনেই তেওঁৰ দেশ। তেওঁৰেই 'ডিস্কোভাৰি অব্‌ ইণ্ডিয়া'। দেশৰ কল্যাণৰ কাৰণেই এই গৰাকী বিচক্ষণ মনীষী ব্ৰতী হৈছে। কিন্তু এইবোৰ কথা তেওঁৰ চকুত পৰা নাই কিয়?

দেশ বুলিলে ইয়াকে বুজায় বুলি এন্টনীৰ ধাৰণা। সেয়ে হ'ল—জৱহৰলাল আৰু তেওঁৰ কেবিনেট। চৌদিশে কিছুমান আই. চি. এছ.। আনহাতেদি এইখন দেশক লৈ তাৰ ৰোমান্তিক ধাৰণাও আছে। ৰবি ঠাকুৰৰ ৰেকৰ্ড শুনি তাৰ কাণ দুখন আৰু মন ধন্য হয়। "ও আমাৰ দেশৰ মাটি, তোমাৰ পায়ে ঠেকাই মাথা।" হুইস্কিৰ গ্লাচত চুমা দি গান কেইটা শুনিবলৈ ভাল লাগে।

এতিয়াই তাৰ পিটাৰক প্ৰয়োজন হৈ পৰিছে। অথচ তাৰ একো উৱাদিহ পোৱা নাই। এন্টনী অস্থিৰ হ'ল। সি সাগৰৰ পাৰে পাৰে চহৰৰ ফালে গৈ থাকিল। আন্ধাৰত সাগৰখন দেখা নেযায়। কাঠৰ গোন্ধ। ধূনা আৰু আলকাতৰা পোৰাৰ গোন্ধ। সাগৰৰ পাৰত তৈয়াৰ হৈছে বহুত সৰু বৰ তোনী। তাৰ ওচৰত সৰু সৰু পঁজাঘৰ। ঘৰবোৰৰ ছাল তালপাতৰ। ইয়াত মজদুৰবোৰ থাকে। আশে পাশে জুইৰ পোহৰ।

ডাঙৰ ডাঙৰ পাত্ৰত পীচ গলোৱা হৈছে। গলোৱা পীচখিনি নাৱৰ তক্তা-যোৰোৱা ফাঁকত ঢালি দিয়া হৈছে। ওচৰতে কমাৰশাল। কমাৰৰ ভাটীয়ে হুচ্‌হুচ্‌ কৰিছে। লোহা পিটাৰ শব্দও হৈছে। ডাঙৰ ডাঙৰ গজাল তৈয়াৰ হৈছে।

এন্টনীৰ চকু এই কাম কৰা মানুহবোৰলৈ। সি পঁজাঘৰবোৰৰ ওচৰেদি গৈ আছে। এইখন ভাৰতবৰ্ষৰ লগত আগতে এন্টনীৰ কোনো দিনেই পৰিচয় ঘটা নাছিল।

এঠাইত তাৰ চকুৰ দৃষ্টি থৰ হৈ ৰ'ল। ঠাইখনত জোৰবাতিৰ পোহৰ পৰিছে। এটা মাটিৰ চকুৰ পৰা চাৰি পাঁচটা সৰু সৰু ল'ৰা-ছোৱালীয়ে এজেবা এজেবা বস্তু আনি মুখত ভৰাইছে আৰু একেটা পাত্ৰতে গাহৰি এজনীয়ে পোৱালি বিলাকৰে সৈতে মুখ গুজি কিবা খাইছে। এটা শিশুৱে হাত ভৰাব পৰা নাই। সি খাবলৈ নেপাই কান্দিছে।

এন্টনীৰ ভৰি দুখন অচল হ'ল। সি আগুৱাব পৰা নাই। তাৰ দম বন্ধ হ'ব খোজা অৱস্থা। পঁজাটোৰ দুৱাৰত এজনী তিৰোতা। ফটা-চিতা মলিয়ন

কাপোৰে তাইৰ দেহৰ বহু অংশ ঢাকিব পৰা নাই। তাই চাদৰ এখন বুকুৰ ওপৰেদি কান্ধত পেলাইছে। দেহ কংকালসাৰ। যখিনীৰ দৰে কুটকুলা চুলিবোৰ তাই এহাতে খজুৱাই আছে। মাজে মাজে ওকনি ধৰি দুটা নখৰ মাজত ৰাখি মাৰিছে।

তাই ইমান পৰ ওকণি মৰাত ব্যস্ত আছিল। শিশুটোৰ চিঞৰ শুনি তাই উঠি গৈ গোটেইবোৰ ল'ৰা-ছোৱালীক পিটিবলৈ ধৰিলে। তাইৰ পোৰা কাঠৰ দৰে দেহটোত বৰ জোৰ। ল'ৰা-ছোৱালীবোৰ তৎক্ষণাৎ পলাল। গাহৰিজনীও পোৱালিবোৰ লগত লৈ দৌৰ মাৰিলে।

কাঠ কটাৰ কাম কৰা মানুহবোৰৰ বোধহয় বিশ্ৰামৰ সময় হ'ল। কাঠ কটাৰ শব্দ বন্ধ হ'ল। কৰত পেলাই থৈ মানুহবোৰ বালিৰ ওপৰত বহিল। সকলোৱে লেংটিৰ দৰে কাপোৰ এডোখৰহে পিন্ধিছে। তাৰ বাহিৰে গোটেই গাবোৰ উদং। গাৰ অজস্ৰ ঘামৰ টোপাল জোৰবাতিৰ পোহৰত জিলিকিছে। বালিৰ ওপৰত বহি সিহঁতে বিড়ি-চেলেউ হুপিছে। ইফালে মাৰধৰ কৰাৰ চিঞৰ। ইহঁত একেবাৰে নিৰ্বিকাৰ।

এন্টনী সিহঁত পিঠি দি বহি থকা ফালে বহিল। ঠাইখন অলপ অলপ আন্ধাৰ। সি মানুহখিনিৰ কথা-বতৰাবোৰ শুনিছে।

এটাৰ মাত—গুৰিডাল ইমান টান! ফালোঁতে দম বাহিৰ হৈ গৈছে।

আন এটাৰ মাত—তই শিমলুৰ গুৰি বুলি ভাবিছ? এয়া হ'ল চেক্কোটাৰ হাবিৰ আচল আইনি-পুৰচি। ফালোঁতে সঁচাকৈয়ে জোৰ লাগে।

এটাই থুই এথোপা পেলাই ক'লে—কষ্টতো হ'বই। খাবলৈ নেপালে ক'ৰ পৰা বল পাবি? একে লেথাৰিয়ে বাৰ-চৈধ্য ঘণ্টা খাটিছোঁ। ইমান খাটিও ল'ৰা-ছোৱালী আৰু তিৰোতাজনীক পেট পুৰাই খাবলৈ দিব পৰা নাই। চৰকাৰে চাউলৰ পালিত[1] এটকা দহ নয়া পইচা দাম বান্ধি দিছে। কিন্তু এই দামত চাউল বিচাৰি নেপাব। দোকানীয়ে দুটকাৰ কমত নিদিয়ে।

এইবাৰ এটা ডেকা ল'ৰাৰ মাত—পেৰিয়া মুদলালিহঁতে পইচা লুটিছে; ঘনাই ঘনাই তোনী বনাইছে। মুঠিয়ে মুঠিয়ে টকা ঘটিছে, ঘটক বাৰু। আমাক টকা দিয়াৰ বেলিকা ইমান কৃপণ হয় কিয়? কিন্তু নিজে ৰাজসুখত থাকি কিমান যে ফুৰ্তি কৰে।

এটাই অভিমত দিয়ে—ফুৰ্তি কৰিবলৈ বিচাৰ যদি এই কাম এৰ। আমাৰ মালিক মাইকেলৰ ঘৰৰ পিছ ফালৰ গলিত ৰাতি দহটাৰ পাছত বৈ থাকগৈচোন। তই তজবজীয়া ডেকা। তোক পালে মেম চাহাব বৰ খুচী হ'ব। তোৰো সুখ, তাইৰো সুখ। বহুত পইচা পাবি।

---

1 পালি—আঢ়ৈ সেৰ; প্ৰায় আঢ়ৈ কিলো।

ডেকা ল'ৰাটোৱে খলক লগাই হাঁহিলে। ক'লে—ছালা টিগুলে তেন্তে আচল তোনীতে বঠা মাৰিছে। মই এইবোৰ খবৰ নোপোৱা নহয়।

—ঠিক আছে। তালৈ নগৈ আন এটা গলিলৈ যা। তোনীৰ মালিক, আমাৰ এই চাহাববোৰৰ ঘৰত ভোকত থকা মেমচাহাবৰ অভাব নাই। চাহাববোৰতো সন্ধিয়াৰ পাছত বাহিৰত……

—মেমচাহাববোৰৰ মোক খা মোক খা চেহেৰা। গা নিমজ। তথাপি চাহাববোৰে বাহিৰত ফুৰ্তি কৰে কিয়?

—তই নুবুজ। হোটেলৰ ৰন্ধা-বঢ়া বস্তুৰ জুতি ঘৰৰ আহাৰতকৈ বেলেগ। সিহঁতৰ ভিতৰত আটাইতকৈ বয়সীয়াটোৱে গলগলীয়া মাতেৰে ক'লে। অলপ পৰৰ পাছত একেটা মানুহেই ক'লে—ইয়াৰ বাহিৰেও আৰু এটা আন কথা আছে। মান-সন্মানৰ কথা। যাৰ যিমান বাহিৰা তিৰোতা আছে, তাৰ সিমানেই মান। পইচা দি যদি অন্য তিৰোতাৰ ইজ্জৎ কিনিব নোৱাৰি, তেনেহলে ডাঙৰ মানুহ হোৱাৰ লাভ কি?

এন্টনীৰ কথাবোৰ শুনি অসহ্য লাগিল। সি আৰু শুনিব নোৱাৰিলে। লাহে লাহে ৰাস্তাত উঠিলগৈ। জোৰবাতিৰ ক্ষীণ পোহৰত তাক দেখা গ'ল। মানুহ-বোৰৰ এটাই ডাঙৰ ডাঙৰকৈ ক'লে—সাৱধান ফার্ণাণ্ডিজ, সৌটো চাহাবে আঁতৰত থাকি তোৰ কথাবোৰ শুনি গ'ল। কাইলৈ তোৰ অৱস্থা কি হয় ঠিক নাই।

ঘৰৰ গেট খুলি সোমোৱাৰ লগে লগে দাৰোৱানটোৱে চালাম দি তাক ক'লে—আইয়া, বাহিৰৰ ঘৰত কার্দোজা মহাশয় আপোনাক লগ পাবলৈ বৈ আছে।

কার্দোজা! চুচান কার্দোজা! কি মতলব? মোক সি কিয় বিচাৰিব? মোক কিয় দৰ্কাৰ? ভাবি ভাবি এন্টনী বাহিৰৰ ঘৰৰ দুৱাৰদলি পালেহি।

চুচান বহি আছিল। এন্টনীক দেখি ঘপহ কৰে থিয় হৈ তাৰ হাত দুখনত ধৰি ক'লে—অ', আমাৰ স্মার্ট ইয়ংমেন, মই তোমাৰ কাৰণেই বহি আছোঁ।

এন্টনীৰ ওঁঠত মিচিকিয়া হাঁহি। নমস্কাৰ জনাই সি ক'লে—নিশ্চয় বিশেষ প্ৰয়োজনত……

—কি আৰু বিশেষ কথা থাকিব! ভাবিলোঁ, তুমি ইয়াত তেনেই নতুন। সেয়েহে কেনেকৈ দিন কটাইছা তাকে জানিবৰ মন গ'ল। কৌতূহল হ'ল। তদুপৰি……। তুমি লণ্ডনৰ পি-এইচ. ডি.; তোমাৰ দৰে ডেকাৰ লগত কথা-বতৰা পতাও……

—একাপ কফি খাবনে?

—নেলাগে, কফিৰ দৰ্কাৰ নাই। আবেলি চাৰি বজাৰ পাছত কফি মোৰ শত্ৰু। এনেয়েই ৰাতি টোপনি নহয়। সদায় শ্লিপিং পিল খাওঁ। সন্ধিয়া কফি খালে সৰ্বনাশ হ'ব।

—অলপ চৰবৎ?

—সেয়াও মোৰ মানত বিহ। মিঠা বস্তু মোৰ বাবে বৰ বেয়া। তেজত অসম্ভৱ চেনি। তদুপৰি ব্লাড প্ৰেছাৰ আছেই। দুবাৰ ধৰি মায়োকাৰ্ডিয়াক ইন্‌ফ্ৰাক্‌চানত ভুগিছিলোঁ। বাৰুকৈ তিৰুনেলভেলীৰ ডাক্তৰ সুব্ৰাহ্মনিয়ামে কোনোমতে বচালে।

চুচানৰ মুখখন কৰুণ। এতিয়া আৰু তেওঁ সেই থিয়েটাৰৰ ৰজাজন নহয়। হঠাৎ সেই থিয়েটাৰৰ ৰজাজনৰ পুনৰাবিৰ্ভাব হ'ল। চকু দুটাত এতিয়া ছলনাৰ জ্যোতি।—পিছে মইতো এতিয়া মৰিলে নচলিব। আই কেন নট স্টপ। আই কেন নট ৰেস্ট। এনেকৈ স্বয়ং জৱহৰলাল নেহৰুৰ দৰে আৰম্ভ কৰি চুচানে কণ্ঠস্বৰত অধিক গাম্ভীৰ্য আনি কৈ গ'ল—ইমান সংগ্ৰাম কৰি দেশ স্বাধীন কৰিলোঁ। এতিয়া শাসন-ভাৰ দেশৰ মানুহৰ হাতলৈ আহিল। এতিয়া ফাৰ্ষ্ট ফাইভ-ইয়েৰ-প্ল্যান চাক্‌চেচফুল কৰিবই লাগিব। নহ'লে পৃথিৱীত আমি মুখ দেখুৱাব নোৱাৰিম। কি কোৱা?

এণ্টনী মনে মনে থাকিল। বুজা গ'ল যে চুচান কাৰ্দোজাই এনেকৈ লেক্‌চাৰ মাৰি থাকে। এতিয়া সম্ভৱ লেক্‌চাৰ মৰাৰ উৎসাহ পাই গৈছে। তেওঁ অনৰ্গল কৈ গ'ল—এইবোৰ হ'ল আমাৰ সকলোৰে জাতীয় কৰ্তব্য। মোৰো। কিন্তু এটা অতি প্ৰয়োজনীয় কৰ্তব্য পালন কৰিবলৈ থাকি গ'ল। আমাৰ এই সমাজ-খনক আনৰ আগত দাঙি ধৰা। সকলোৱে দেখক, সকলোৱে হেয়জ্ঞান কৰা, ঘৃণাৰ চকুৰে চোৱা এই মীনপাৰোৱা সমাজখন আচলতে কি বস্তু। তোমাৰ দৰে এটা দামী কহীনুৰ এই সমাজৰেই সৃষ্টি। কি কোৱা?

এণ্টনী আকৌ নিমাত।

—তেনেহলে তুমি ইমান দিন ক'ত আছিলা?

—লণ্ডনত।

—তাত কি ক'ৰা?

—ইণ্ডিয়ান হাই কমিচনাৰৰ অফিচত চাকৰি কৰোঁ।

—ফৰেন চাৰ্ভিচ! বাঃ বাঃ। সেইটোতো বহুত দৰমহাৰ চাকৰি! তেনেহলে এতিয়া কিমান পোৱা?

এণ্টনীৰ কাণমূৰ গৰম। খুব খং। মানুহটোৰ লেশমানো ভদ্ৰতাজ্ঞান নাই। দৰমহাৰ খবৰ লোৱাটো সাংঘাতিক অভদ্ৰতা। কিন্তু চুচানে এইবোৰ নেভাবে। এণ্টনীৰ প্ৰতিক্ৰিয়া কেনে, তাকে লক্ষ্য নকৰি তেওঁ কৈ গ'ল—নিশ্চয় মাহে চাৰি-পাঁচ হেজাৰ......

এতিয়া এণ্টনীৰ মুখত হাঁহি। এতিয়া তাৰ খংটো কৌতুকলৈ ৰূপান্তৰিত হৈছে। অলপ কথাৰ বিৰতি পৰিছে যেন দেখি এণ্টনীয়ে সুধিলে—তেন্তে আপুনি একো নেখায়?

মেচেক্কাৰবোৰৰ বৰ গৰ্ব। জাত-কুল লৈ, বংশ লৈ। ময়েই প্ৰথমে সিহঁতৰ বিৰোধিতা কৰোঁ। কাম্মাৰকাৰ সম্প্ৰদায়ক এক গোট কৰোঁ। কাম্মাৰকাৰ মহাজন সমিতিৰ প্ৰতিষ্ঠাতা ময়েই। কিন্তু এই সমিতি দুৰ্বল হোৱাত মই মৰ্মাহত হৈছোঁ……

চুচানৰ মাতটোৰ জোৰ কমি আহিছে। এণ্টনীয়ে এটা নিপুণ অভিনেতাক দেখা পাইছে। এওঁ পাব্লিক ষ্টেজত বেচ নাম কৰিব পাৰিলেহেঁতেন।

চাৰি পেগৰ পাচত চুচানৰ বক্তৃতা লাগবান্ধ নোহোৱা হ'ল : এই মেচেক্কাৰবোৰ আমাৰ বৈৰী। আমাৰ জাতিৰ বৈৰী কমিউনিষ্টবোৰো। ইহঁত জাতিৰ বৈৰী, ধৰ্মৰ বৈৰী। সাংঘাতিক। আমাৰ কমিউনিষ্টবোৰে আকৌ ধৰ্ম বিশ্বাস নকৰে, সিহঁতৰ ট্ৰেডিচনত বিশ্বাস নাই। ইহঁত ভয়ঙ্কৰ জীৱ। তেলেঙ্গেনা মুভমেণ্টৰ নাম লৈ ইহঁতে গোটেই দেশতে হত্যালীলা আৰম্ভ কৰিছে। তুমি জৰুৰ কাগজত পঢ়িছা। ইহঁতৰ মানত দেশ বোলা বস্তু এটা নাই। ইহঁতৰ গাইড হ'ল ৰাছিয়া। ইহঁতে গান্ধী-জৱহৰলালক একে বুলি নেভাবে। লেনিন-ষ্টেলিনহে ইহঁতৰ নেতা। কাৰ্ল মাৰ্ক্স ইহঁতৰ ধৰ্মগুৰু। ডাচ কেপিটেল ইহঁতৰ বাইবেল। সেয়েহে আমাৰ কংগ্ৰেছী চৰকাৰে আচল কামেই কৰিছে। চৰকে পিটি ঠাণ্ডা কৰিছে। ৰাজাজীয়ে অলপ দিনৰ আগতে দেশৰ এই শত্ৰুবোৰৰ বিষয়ে সতৰ্ক কৰি দিছে।

এইবাৰ চুচান থিয় হ'ল। ক'লে—আজি যাওঁ। তোমাৰ লগত সময়খিনি ভালকৈ পাৰ হ'ল। বৰ ভাল লাগিল। তুমিও আহিবা। অহা শনিবাৰে তোমাক নিমন্ত্ৰণ কৰিলোঁ। এটা সৰু পাৰ্টি আছে। কেইজনমান চৰকাৰী অফিচাৰ চহৰলৈ আহিছে। ডাঙৰ অফিচাৰ। তেওঁলোকৰ সন্মানাৰ্থে। আহিবা দেই, মই গাড়ী পঠিয়াই দিম।

চুচানে হাত এখন আগ বঢ়ালে। এণ্টনীৰ হাতত খামোচ মাৰি ধৰি চুচান আৰু অন্তৰঙ্গ হ'ল। মাতটো সৰু কৰিলে। এণ্টনীৰ কাণৰ ওচৰলৈ মুখখন আনি ফুচফুচাই ক'লে—মোৰ এটা পৰামৰ্শ আছে। সিদিনা তোমাৰ লগত পিটাৰক দেখিলোঁ। তাক তোমাৰ গা ঘহঁাবলৈ নিদিবা। সি অতি সাংঘাতিক। দুৰ্দান্ত কমিউনিষ্ট।

হঠাৎ আগত বাঘ ওলালে মানুহ যেনেকুৱা হয় চুচানে তেনেকৈ ভয় কৰা ভাব এটা দেখুৱালে।

# 21

পাছদিনা পুৱা এন্টনীয়ে ইডলী-কফিৰে ৰাতিপুৱাৰ আহাৰ কৰিলে। সেতুৰামন আহিব। সেতুৰামন এই ঠাইৰ গড্উইনৰ কনকপিল্লে। গড্উইনৰ মৃত্যুৰ খবৰ পাই সি চিলোনৰ পৰা আহিছিল। কেইদিনমানৰ ছুটী লৈ তিৰুনেল্‌ভেলীৰ পৰা ত্ৰিছ মাইল দূৰৰ কালিডাইকুৰচি গাঁৱলৈ গৈছিল। তাতে তাৰ ঘৰ।

আজি সি অহাৰ কথা। ইয়াত কাৰবাৰৰ অৱস্থা কেনে সেই বিষয়ে আজি এন্টনীয়ে তাৰ পৰা সকলো শুনিব। প্ৰয়োজন হলে সি চিলোনলৈয়ো যাবলগীয়া হ'ব পাৰে। সম্পত্তি যাৰেই হওক লাগে, এইবোৰ ব্যৱস্থা আগতে কৰা উচিত। সেতুৰামনেও তাকেই কয়।

বেয়াৰাই আহি খবৰ দিলে যে এজন চাৰ্চৰ ফাদাৰ আহিছে।

এন্টনীয়ে চিড়িতে নামি বাহিৰৰ মহল পোৱাৰ আগতেই চিড়িৰ মূৰতে আলখাল্লা পিন্ধা পুৰোহিতক পালে। একেবাৰে অন্দৰ মহলত হাজিৰ! এন্টনী মনে মনে বিৰক্ত হ'ল। ঘৰৰ মানুহবোৰৰ কাণ্ডজ্ঞান নাই নেকি? তথাপি সি ভদ্ৰভাৱে ক'লে—আহক। বাহিৰৰ ঘৰতে বহোঁগৈ।

পুৰোহিত মহাশয়ে হাঁহিলে। তেওঁৰ দাঁত দুপাৰি চকচকীয়া। হাহোঁতে একেলগে বহুত দাঁত ওলাল। তেওঁ ক'লে—কিয়নো তালৈ যাব লাগিছে? ওপৰতে বহোঁ দিয়া। আমিতো সকলোৰে ঘৰৰ মানুহ আৰু……

পুৰোহিত মহাশয় আদহীয়া বয়সৰ। মুখত কেঁচা-পকা দাড়ি-গোঁফ। বেচ স্বাস্থ্যবান পুৰুষ। মুখৰ হাঁহিটো কৃত্ৰিম। ডিঙিত দুটামান ভাঁজ আছে।

—বহুত দিনৰ পৰা আহিম আহিম বুলি ভাবি আছিলোঁ। কিন্তু কোনো মতে সময় উলিয়াব নোৱাৰোঁ! তুমি বাৰু মোক চিনি পাইছানে? মই ফাদাৰ গঞ্জালভেচ। গড্উইন ফাৰ্ণাণ্ডোৰ কবৰৰ সময়ত ময়ে আছিলোঁ। মনত থাকিব পায়।

—আছে। এন্টনীয়ে অতি চমুকৈ ক'লে।

—গড্উইন সঁচাকৈয়ে এজন ডাঙৰ মানুহ। সেই অনুক্ৰমে শেষৰ কামখিনি কৰা নহ'ল। ফাদাৰ গঞ্জালভেচ দুখিত।

—তেখেতে নিজেই হাক দি গৈছে।

—হয় নেকি?

কথা কৈ কৈ ফাদাৰ এন্টনীৰ বিছনাখনৰ ওপৰত বহিল। ইতিমধ্যে সেতুৰামন আহিছে বুলি মাৰিয়াদাচনে খবৰ দিলেহি। সি ফাদাৰ গঞ্জালভেচক দেখি তৎপৰ হৈ পৰিল। তৎমুহূৰ্তে আঠু কাঢ়ি, হাতযোৰ কৰি ৰ'ল। ফাদাৰে মাৰিয়াদাচনৰ মূৰত হাত এখন থৈ চকু মুদি আশীৰ্বাদ দিলে—ঈশ্বৰে তোমাৰ মঙ্গল কৰক।

মাৰিয়াদাচনৰ এনে মানুহলৈ বৰ ভক্তি। ফাদাৰে তালৈ চাই আকৌ ক'লে—কেনেকুৱা একান্ত ভৃত্য দেখুৱাব লাগিব নহয়, মাৰিয়াদাচন। যোৱা, মোলৈ খোৱা-বস্তু আনাগৈ! লগতে কফি—

মাৰিয়াদাচন লৰালৰিকৈ গ'ল। ফাদাৰে এন্টনীক তন্ন-তন্নকৈ চাই ল'লে। মুখৰ ভাবটো কৰ্তৃত্ব খটুওৱা স্কুলমাষ্টৰৰ নিচিনা। তেওঁ জেৰা কৰাৰ দৰে সুধিলে—চহৰত ইমান দিন আছা, অথচ চাৰ্চত দেখা পোৱা নাই কিয়?

এন্টনীৰ লুকাই ৰখা বিৰক্তি ক্ৰমে বাঢ়ি আহিল। তাকে বাৰে বাৰে তুমি বোলাও সি পছন্দ কৰা নাই। কোনো বাহিৰা মানুহে তাক এনেদৰে সম্বোধন কৰাটোত সি অভ্যস্ত নহয়। কিন্তু তাৰ বিলাতী সংযম আছে। কাকো বেয়া পাইছে বুলি সি নেদেখুৱায়। এয়ে বিলাতী ভদ্ৰতা। সেই ভদ্ৰতা বজাই ৰাখিয়েই সি ক'লে—সেইটো ব্যক্তিগত কথা। সেইবোৰ বাদ। আপোনাৰ বাৰু বিশেষ ক'বলগীয়া আছে নেকি?

নিমিষতে ফাদাৰৰ দাঁত দেখুৱাই হঁহা মুখখন সুকীয়া হৈ পৰিল। কিন্তু অলপ পৰৰ পাছত আকৌ সেই হাঁহিটো মাৰি ক'লে—তুমি এইবোৰ কি কৈছা? তুমি পণ্ডিত ব্যক্তি বুলি শুনিছোঁ। বহুত পৰীক্ষা পাছ কৰিছা। তোমাৰ মুখত এনে কথাই শোভা নেপায়। তুমি কেথলিক খ্ৰীষ্টানৰ সন্তান। ধৰ্ম এটা গুৰুত্বপূৰ্ণ বস্তু। তাকে লোকৰ মতামতৰ ওপৰত ভিত্তি কৰি এৰি দিব নোৱাৰি। সেয়ে হ'লে দেখোন পৃথিৱীৰ পৰা চাৰ্চবোৰ নাইকিয়া হ'ব।

এন্টনীয়ে প্ৰতিটো শব্দত জোৰ দি ক'লে—চাৰ্চ নাইকিয়া হ'লে জানো কিবা ক্ষতি হ'ব?

এইবাৰ সঁচাকৈয়ে ফাদাৰৰ হাঁহি নাইকিয়া হ'ল। চকু বিস্ফাৰিত হ'ল। দুই চেলাউবিৰ মাজত মঙহ থুপ খালে। তেওঁ ক'লে—তুমি পৃথিৱীখনত চয়তানৰ ৰাজত্ব হোৱাটো বাঞ্ছা কৰা!

ফাদাৰৰ মুখৰ পেশীবোৰ যেন যন্ত্ৰহে। পুনৰ তেওঁৰ মুখলৈ হাঁহিটো ঘূৰি আহিল। তেওঁ মিমিকত ওস্তাদ। খন্তেকতে মুখৰ ভাব সলনি কৰিব পাৰে। মিমিকত সফল হ'বৰ বাবে দিনে-ৰাতিয়ে অভ্যাস কৰিব লাগে। তেতিয়াহে মিমিক হৈ ৰোজকাৰ কৰিব পাৰি। ইয়াকে চং দেখুওৱা বোলে। কথাটো ভাবি এন্টনীয়ে মনে মনে হাঁহিলে।

আগৰ দৰে হাঁহিটো মাৰি ফাদাৰে এন্টনীৰ মুখলৈ একে ৰাহে চাই থাকিল। অকস্মাতে আকৌ মুখখন গহীন হৈ পৰিল। মাতটোও খুব গহীন—মানুহ জন্মৰ মুহূৰ্তৰ পৰাই পাপী। পাপ কৰাটোৱেই মানুহৰ স্বভাৱ। কিন্তু পাপ কৰিলে নৰকলৈ যাব লাগে। মাথোন কেথলিক ধৰ্মইহে জীৱক নৰকৰ পৰা উদ্ধাৰ কৰিব পাৰে……

সেই একেবোৰ কথা। শুনি শুনি এন্টনীৰ কাণ ঘোগোলা হ'ল। ফাদাৰ কিন্তু সহজে এৰি দিয়া বিধৰ লোক নহয়। তেওঁ অনৰ্গল কৈ গ'ল—মানুহ মাত্ৰেই অবোধ শিশু। এটা অবোধ ভেড়া-পোৱালি। সি ইফালে সিফালে উভ্ৰাৱল হৈ ঘূৰি ক্ৰমে পথ হেৰুৱাইছে। মানুহক সঠিক পথেৰে পৰিচালিত কৰিবৰ কাৰণেই আমি……

এন্টনীয়ে একো মতা নাই। মনে মনে বিৰক্তি। ফাদাৰৰ বক-বকনি অন্ত পৰিলেহে সি ৰক্ষা পাব। কিন্তু তেওঁৰ কথাৰ লেজু দীঘল—আমি ফাদাৰসকল সেইকাৰণেই আছোঁ। সন্তানৰ কেনেকৈ সদ্‌গতি হয় তাকে চোৱাই আমাৰ কাম। আমি ঈশ্বৰৰ প্ৰতিনিধি……

এন্টনীৰ পেটে পেটে হাঁহি উঠিল। ভল্টেয়াৰে অন্তিম শয্যাত কোৱাৰ দৰে এনেকৈ ক'ব নেকি?—হোয়েৰ ইজ্‌ ইয়ৰ ক্ৰেডেন্‌চিয়েল? দেৰ শ বছৰ পাৰ হ'ল। সমাজ এখোজো নাগুৱালে।

মাৰিয়াদাচনে এবাটি মুৰুক্কু আনিলে। লগতে ডাঙৰ পাত্ৰ এটাত কফি। চাকৰ এটাই থালত একাষি কলো আনিছে। মাৰিয়াদাচনে যেন দেৱতাকহে পূজাৰ নৈবদ্য দিছে। সকলো বস্তু বঢ়িয়াকৈ সজাই ফাদাৰৰ ফালে আগবঢ়াই দি খাবলৈ নিবেদন জনাইছে। ফাদাৰৰ মুখত সুপ্ৰসন্ন হাঁহি। কৈছে—দাচন, তুমি সুখী হোৱা। এইটো ঘৰত তুমি থাকা মানে ফাদাৰৰ সেৱাত অকণো ক্ৰুটি নহ'ব। তথাপি কওঁ, বস্তুখিনি যদি কোনো ছোৱালীয়ে অনাহেঁতেন…

কল বখলিয়াই এটা খাই লৈ মুৰুক্কু চোবাই চোবাই সুধিলে—তুমি বিয়া কৰালা?

এন্টনীয়ে ক'লে—এতিয়াও সেই সুযোগ হোৱা নাই।

ফাদাৰে আৰু কেইখনমান মুৰুক্কু চোবালে। কফিত শোহা এটা মাৰি ক'লে—বিদেশৰ পৰা বিয়া নকৰাই ভালেই কৰিছা। বিদেশৰ পৰা উভতি আহিলা যেতিয়া নিজৰ ঠাইৰে কেথলিক ছোৱালী এজনী বিয়া কৰাই সংসাৰী হোৱা। তোমাৰ বংশ বাঢ়ক। কেথলিক-ধৰ্মী লোকৰ সংখ্যা বাঢ়ক। হেজাৰ হওক, তুমি ইয়াৰে ল'ৰা।

কফি খাই অঁতাই ফাদাৰে এটা উগাৰ মাৰিলে। তাৰ পাছত ক'লে—মান্নাৰৰ পাৰত, পূব উপকূলৰ এই তুত্তুকুড়িতেই খাঁটি কেথলিক লোকৰ খাঁটি। ইয়াৰ পৰা বিয়া কৰাবৰ বাবে সকলো ঠাইৰ পৰা তামিল মানুহ আহে। মই

মানুহ। মানুহটোৰ হাতত এডাল মালা। সি সেই ফুলৰ মালাডাল মানুহটোৰ পৰা কাঢ়ি অনাৰ দৰে আনি ফিছাৰীৰ গুৰিয়ালজনৰ ডিঙিত পিন্ধালে। সি বিশ্বাসী ভৃত্যৰ দৰে ক'লে—এক্স্‌কিউজ মি, ছাৰ। বিশেষ জৰুৰী কামত......

সি আৰু দুজন অফিচাৰক মালা পিন্ধালে। এই চৰকাৰী অফিচাৰবোৰৰ লগত এন্টনীক দেখি চুচান অবাক হ'ল। তেতিয়া ফিছাৰীৰ গুৰিয়ালজন সদা আৰু এন্টনীৰ লগত কথা পতাত ব্যস্ত।

—হেঃ হেঃ হেঃ, এখেতো আমাৰ সমাজৰ......। ইন্ ফেক্ট, তুত্তুকুড়িত এক নম্বৰ জনাজাত মানুহ হ'ল এইচ. এম. ৰোচ ভিক্টোৰিয়া আৰু দুই নম্বৰত এখেত। হেঃ হেঃ হেঃ, আহক মোৰ গাড়ীলৈ।

—থেংক ইউ। আমাৰ কাৰণে গাড়ী আহিছে।

—এইখন গাড়ীও মোৰ। আপোনাৰ য'তে যাবলৈ ইচ্ছা......। চুচান কাৰ্দোজাই হাঁহি হাঁহি ক'লে। সি গুৰিয়ালজন আৰু এন্টনীক সহজে এৰি নিদিলে। তেওঁলোক তাৰ গাড়ীত বহিবলগীয়া হ'ল। আগত ফিছাৰীৰ গুৰিয়াল বহা গাড়ীখন। পিছে পিছে দহখনমান গাড়ী। গুৰিয়ালজনে পিছলৈ চাই বেচ আনন্দ পাইছে। কৈছে—মোৰ পিছত ইমান মানুহ......। সদা অবাক! এন্টনীও।

গুৰিয়ালজনে ডিঙিৰ সিৰা ফুলাই ফুলাই কৈছে—মোৰ পিছৰ গাড়ীত যিবোৰ সৰু-ডাঙৰ অফিচাৰ আহিছে তেওঁলোকৰ মাহেকীয়া দৰমহা যোগ কৰিলে মুঠতে বিশ হেজাৰ হ'ব। সেয়েহে কওঁ, মোৰ পিছত বিশ হেজাৰ।

সদাই পেট জোকাৰি জোকাৰি খিকখিক্কৈ হাঁহিলে। সকলোৰে কথা-বতৰা আওকাণ কৰি এন্টনীয়ে সদাক সুধিলে—তোমাৰ ইয়াত থকাৰ কিবা ব্যৱস্থা হৈছেনে? সদাই ক'লে—এওঁলোকেই তাৰ ব্যৱস্থা কৰিছে। ন'হলেনো কিহৰ চিন্তা? টুনটুনিৰ ঘৰ আছেই। মোৰ সাত দিনাৰ প্ৰগ্ৰেমত......

—যেতিয়াই প্ৰয়োজন বুলি ভাবা তেতিয়াই মোৰ তালৈ গুচি আহিবা। ইয়াকে কৈ চাউথ ৰাজা ষ্ট্ৰীটৰ মূৰত এন্টনী গাড়ীৰ পৰা নামিল।

দিনৰ দুটামান বজাত ঘৰত সোমাই এন্টনীয়ে টেবুলত এখন নিমন্ত্ৰণৰ কাৰ্ড দেখিলে। গুৰিয়ালজনৰ অনাৰত পাৰ্টি। কাৰ্ডৰ একোণত তেওঁৰ নিজৰ হাতৰ আখৰ। লিখিছে—মিষ্টাৰ ফাৰ্ণাণ্ডো, আপুনি নাহিলে বৰ দুখ পাম। আপোনাক অনাবৰ বাবে গাড়ী যাব। সন্ধিয়া। অনুগ্ৰহ কৰি আহিব।

সন্ধিয়া সাত বজাত গাড়ী আহি হাজিৰ। লগত এজন মাদ্ৰাজী। ফিছাৰীৰ স্টাফ। তেওঁ কৈছে—ছাৰ, কৰ্তাৰ অনুৰোধ......মোক পাঠিয়াইছে......

—বলক, মই সাজু।—এন্টনীয়ে গাড়ীৰ ফালে খোজ দিলে। অফিচাৰজনে বাৰে বাৰে এন্টনীৰ পোছাকযোৰহে লক্ষ্য কৰিলে। এন্টনীয়ে ভেষ্টি আৰু

কুৰ্তা পিন্ধিছে। ভৰিত চেণ্ডেল। সি সুধিলে—আপোনালোকৰ পাৰ্টিটো খুব ফৰ্মেল অৰ্থাৎ অফিচিয়েল নেকি?

—একেবাৰে ফৰ্মেল নহয়। তদুপৰি পাৰ্টি দিছে মিছেচ লোবোৱেহে।

—কিন্তু কাৰ্ডৰ তলত ফিছাৰমেন এছোচিয়েছন বুলিহে লিখা আছে।

—ঠিকেই। খৰচ ফিছাৰমেন এছোচিয়েছনৰ। কিন্তু পাৰ্টি হ'ব মিছেচ লোবোৰ ঘৰত। তেখেত হোষ্টেছ। ইয়াত এনেকুৱা পাৰ্টি যিকোনো লোকে চম্ভালিব নোৱাৰে। মিষ্টাৰ কাৰ্দোজাই সকলো ঠিকঠাক কৰিছে। আমাৰ ইয়াৰ অফিচৰ প্ৰধানজনেও, মানে এচিচ্‌টেণ্ট ডাইৰেক্টৰেও কথাটো পছন কৰিছে।

গাড়ীত উঠি এণ্টনীয়ে সুধিলে—আপোনাৰ নাম?

—মই বেনালুৰ কৰুণানিধি। ইয়াৰ ফিছাৰীজ অফিচৰ ইন্সপেক্টৰ।

বি. কে.! এই বি. কে.-ক তেনেহলে তেওঁ পুৱা বিচাৰিছিল! ষ্টেচনৰ প্লেট-ফৰ্মত। এণ্টনীৰ মনত কথাটো নিমিষতে পৰি গ'ল। সি ক'লে—আপোনাৰ ঘৰত পৰিবাৰৰ অসুখ। নহয়—জানো? আজি সেয়েহে তেখেতক ষ্টেচনত বিচিভ কৰিবলৈ যাব পৰা নাছিল।

বি. কে. অবাক। কঁপা কঁপা মাতেৰে বি. কে.-ই সুধিলে—আপুনি কেনেকৈ জানিলে, ছাৰ? মোৰ পৰিবাৰ আজিকে ধৰি সোতৰ দিন বিছনাত পৰি আছে। টাইফয়ডৰ দ্বিতীয় সপ্তাহ। মলত তেজ। ৰঙা তেজ। খুব ভয় খাই ডাক্তৰৰ ওচৰলৈ গৈছিলোঁ।

এণ্টনীয়ে কোমল মাতেৰে সুধিলে—এতিয়া কেনে আছে?

এণ্টনীৰ মানুহটোলৈ সহানুভূতি। তেওঁ ক'লে—কোনোমতে তেজ বন্ধ হৈছে। সেই কাৰণেই, ছাৰ, আহিব নোৱাৰিলোঁ। ঘৰত আৰু দ্বিতীয় ব্যক্তি নাই। ওচৰৰ বিধবা মানুহ এগৰাকীক বহুত খাতিৰ কৰি কোনো মতে ঘৰত থৈ আহিছোঁ।

—আপোনাৰ ঘৰ ক'ত?

—ওচৰতে। মানুহজন তেওঁ বাওঁফালৰ ঘৰ কিছুমান দেখুৱাই দিলে। এই অঞ্চলটোৱেই চহৰৰ শেষ।

এণ্টনীয়ে একো নেমাতিলে। গাড়ীয়ে চহৰ এৰিলে। পশ্চিমৰ আলিত উঠিল। এইটো আলিত গাড়ীৰ ভিৰ কম। সেয়েহে গাড়ীখন ঘণ্টাত ৰাঠি মাইল বেগত আগ বাঢ়িল।

এটা কথাইহে এণ্টনীক বৰ আমনি দিলে। বেমাৰীক এনে অৱস্থাত এৰি থৈ বি. কে. কিয় আহিল? ইয়াৰ কিবা এটা ৰহস্য আছে।

এণ্টনীয়ে বি. কে.-ৰ মুখলৈ চালে। তাৰ মুখ মলিন। চকু দুটা কোটৰত। চকুমুখত অনুভূতিৰ চিনচাপ নাই। নিতান্ত নিৰুপায়, অসহায় আৰু নিৰ্জ্জীৱ এখন মুখ।

তিৰুনেলভেলী ৰোডত মানুহ আৰু গাড়ী কম। দুফালে পথাৰ। এসময়ত গাড়ীখন বাওঁফালে ঘূৰিল। লগে লগে এন্টনীয়ে ৰাস্তাটো ধৰিব পাৰিলে। বাওঁফালে ভালানাড়ৰ পাহাৰটো আৰু সোঁফালে মুকলি পথাৰখন তাৰ চকুত পৰিল। পথাৰত মাথোন সৰু সৰু জোপোহা বন কিছুমানহে। চকাৰ তলত কৰ্কশ শব্দ। বুজা গ'ল যে ৰাস্তাটো পকা নহয়, গিট্টি দিয়াহে। গাড়ী এটা ঘৰৰ চৌহদত সোমাল। মৰুভূমিৰ মাজত যেন মৰুদ্যানহে।

এটা আহলবহল বাংলো। গেইটৰ দুটা স্তম্ভত পোহৰ। এইটো ৰাস্তা, এইটো চৌহদ আৰু এইটো বাংলোৰ প্ৰতি ইঞ্চি মাটিৰ লগত এন্টনীৰ নিবিড় পৰিচয় আছে। চকুত কাপোৰ বান্ধি থলেও সি ইয়াত নিৰ্বিঘ্নে ঘূৰি ফুৰিব পাৰিব। এইটো ঘৰ আছিল গড্‌উইনৰ বাগানবাৰী,—আমোদ-প্ৰমোদৰ ঠাই। ইয়াত বহু নাটক অভিনীত হৈছে। এইবোৰ নাটকৰ নায়ক আছিল তাৰ দেউতাক।

গাড়ীৰ পৰা নমাৰ লগে লগেই চুচান কাৰ্দোজা আৰু সেই মহিলা গৰাকী দুফালৰ পৰা গাড়ীৰ ফালে আগুৱাই আহিল। চুচানে পৰিচয় কৰি দিলে—মিছেচ লোবো। আজিৰ পাৰ্টিৰ হোষ্টেছ। এখেত এন্টনী ফাৰ্নাণ্ডো। লণ্ডনৰ হাই কমিচনাৰৰ অফিচৰ এজন ডাঙৰ ডিপ্লোমেট। ডাঙৰ মানুহ……

দুটি ওঁঠৰ মাজত শুধ বগা মুকুতাৰ দানা। দুচকুত জিলমিলনি তুলি মিছেচ লোবোয়ে এন্টনীক ক'লে—আহক।

মিছেচ লোবো, জয়ান্না। দেউতাকৰ ৰক্ষিতা। চিলোনৰ কান্দীৰ পৰা ৰাম আয়েঙ্গাৰৰ ৰিক্ৰুট। নাচনী তিৰোতা। তাই তাৰ দেউতাককো বেচ নচুৱাইহে এৰিলে। তাই এন্টনীকো নচুৱাব বিচাৰিছিল, কিন্তু সুযোগ নেপালে। নিম্‌ফোমেনিয়াক। শেষ পৰ্যন্ত বাগানবাৰীটো আদায় কৰিলে। কিন্তু মিষ্টাৰ লোবো বোলা মানুহটো কোন?

মিছেচ লোবোৰ চকুত এতিয়া ক'লা চছমাযোৰ নাই। ঈষৎ ৰক্তিম চকুৰ মণি দুটাৰ পৰা হাঁহি বিয়পিছে। পৰিপূৰ্ণ পান এখিলাৰ দৰে মুখখনত ক্ৰীমৰ মসৃণতা। আগতে ঘঁহাৰ দৰে ক্ৰীম ঘঁহিছে। কাউৰী যেন ক'লা চুলি। খোঁপাটো বেচ ডাঙৰ। খোঁপাটো ফেঁট মেলা সাপৰ দৰে মূৰৰ ওপৰত থিয় দি আছে। গাৰ পৰা পাতল সুগন্ধি বিয়পিছে।

মিছেচ লোবোৰ বয়স চৈধ্য বছৰৰ আগতে যি আছিল এতিয়াও সেই একেটা বয়সেই। হলধৰৰ পোহৰত অন্ততঃ তেনে যেনেই লাগিছে। পিন্ধিছে জাকজমক ময়ূৰকণ্ঠী মাইচোৰ চিল্কৰ শাড়ী। ব্ৰোকেডৰ ব্লাউজ। হাতকটা ব্লাউজ পিন্ধিছে বাবে বাহু দুটা উন্মুক্ত। কাষলতি আৰু বুকুৰ বহু অংশ খোলা। গাৰ ছাল মিহি, ক'তো সোপোকা পৰাৰ চিন নাই। এনে ছালতে মাখি বহিলে পিছলি

যাব। স্তন দুটা সুগোল আৰু সুদৃঢ়। তাইক ক'তো বয়সে স্পৰ্শ কৰিব পৰা নাই। বুকুৰ তলৰ পৰা নাইলৈকে পৰিষ্কাৰ। ডিঙিত আচল মুকুতাৰ মালা। তুত্ত্কুড়িৰ শ্ৰেষ্ঠ মুকুতা। মটৰ মাহ একেটাৰ সমান। নিশ্চয় এই মুকুতাৰ মালাধাৰ তাৰ দেউতাকৰে উপহাৰ।

মিছেচ লোবো এতিয়া সাংঘাতিক একটিভ্।

বাংলোৰ চৌদিশে কাগজৰ লেমবোৰ ওলমি আছে। এয়া হ'ল বিজুলী বাত্তিৰ ছেড। ঘৰৰ ভিতৰৰ পোহৰতো কাগজৰ ছেড। সকলোতে এটা ছয়ানয়া ভাব, আলোৰ অস্পষ্টতাৰে ৰহস্যময়। অথচ এই পোহৰত সকলো বস্তুৱে স্পষ্টভাৱে ধৰা দিছে।

হলৰ মজিয়াখন পালিছ কৰা কাঠৰ। গড্উইনে নচাৰ সুবিধাৰ কাৰণে এনেকৈ বনাইছিল। ইয়াত একেলগে পঞ্চাছ যোৰা পুৰুষ-নাৰীয়ে নাচিব পাৰে। এয়ে হ'ল ডেন্সিং ফ্লোৰ। ইয়াৰ ওপৰত পাওদাৰ দিয়া থাকে। দাঁতিত বহিবৰ বাবে চোফা। এটা চুকত বাৰ—পানশালা। চকমকীয়া পোছাক পিন্ধা ৱেটাৰ-বোৰ ইফালে সিফালে ঘূৰি ফুৰিছে। চোফাত কেইগৰাকীমান পুৰুষ-নাৰী। পুৰুষসকলৰ সকলোৰে পোছাক বিলাতী। নাৰীসকলৰ বেশভূষা চাবলগীয়া। তেওঁলোকৰ চুলিত ঘঁহা তেল আৰু খোঁপাৰ ফুলে ঠাইখন আমোলমোলাই আছে।

চৰকাৰী অতিথিসকল এতিয়াও আহি পোৱা নাই। জয়াম্মাই এন্টনীক লৈ গৈ বাৰৰ কাষৰ এখন চোফাত বহুৱাই দিলে। তাই নিজেও কাষতে বহিল। চুচানক ক'লে—আপুনি বাহিৰত থাককচোন। মানুহ আহিব পাৰে। মানে অতিথি···

—হেঃ হেঃ হেঃ, নিশ্চয়, নিশ্চয়। ইয়াকে কৈ তেওঁ মূৰ দুপিয়াই দুপিয়াই বাহিৰৰ ফালে আহিল। জয়াম্মা এন্টনীৰ হাতত ধৰি অলপ টানি ক'লে—কি খবৰ? চিনিব পৰা নাই······?

—চিনিব নোৱাৰাৰ প্ৰশ্নই নুঠে। আপুনি দেখাত একে হৈয়েই আছে।

—তুমি ল'ৰা আছিলা। দেউতাৰাক এৰি গুচি গ'লা। কিন্তু এই ঘৰটোৰ কথা তোমাৰ মনত আছে কিজানি।

এন্টনী মনে মনে থাকিল। চৈধ্য বছৰৰ আগৰ ঘটনা। ঘটনাটো সি পাহৰিব নোৱাৰে। গড্উইন অসুস্থ বুলি কৈ জয়াম্মাই ৰাতি বাৰটা বজাত এন্টনীক ইয়ালৈ টানি আনিছিল। অসুখ নহয়। আৰকৰ মাত্ৰা বেছি হোৱাত গড্উইন বেহুছ হৈ পৰি আছিল মাত্ৰ। জয়াম্মাৰ বুকুত যেন অগ্নিশিখাহে। ওচৰৰ কোঠাটোলৈ তাক টানি আনি তাই সাবটি লৈছিল। তাইৰ কোমল দেহটোৱে তাক সাপৰ দৰে মেৰিয়াই পেলাইছিল। তাৰ ভালকৈ মনত আছে যে তাৰ ওঁঠ দুটা তাই কামুৰিছিল। ওঁঠ দুটা এৰাই যাব বুলি তাৰ ভাব হৈছিল। সেয়েহে

শেষত ডক্টৰ সিন্‌হাই লিখিছে—বৰ দুখৰ কথা। মেননৰ দৰে জ্যেষ্ঠ, সদাচাৰী, স্বাৰ্থত্যাগী আৰু আশাসুধীয়া প্ৰশাসক যদি ষড়যন্ত্ৰৰ বলি হয়, তেনেহ'লে আমি কি হাত সাবটি বহি থাকিম? ইয়াত এতিয়াও ইয়াৰ তদন্ত চলি আছে। দিল্লীৰ সংসদত চৰিত্ৰ হনন চলিছে। তুমি সাবধানে থাকিবা। কি কৰিবা চিন্তা কৰা। মাদ্ৰাজত ষিবোৰ জীপ ৰ'দ-বৰষুণত পৰি আছে, সেইবোৰ লগত এজন অটোমোবাইল ইঞ্জিনিয়াৰ বন্ধুক লৈ গৈ লুকাই চুৰকৈ পৰীক্ষা কৰোৱাচোন। এই জীপবোৰ কেনে অৱস্থাত আছে মোক জানাবা। নহ'লে কৃষ্ণ মেননক বচোৱা টান হ'ব। তেওঁ হাই কমিচনাৰ হিছাবে পদত্যাগ কৰিম বুলি কৈছে। তেতিয়া বিপদ বাঢ়িবহে।

দ্বিতীয় চিঠিখন লিখিছে ইণ্ডিয়া হাউচৰ দত্তই। দত্ত ৰসিক মানুহ। তেওঁ লিখিছে—তোমাৰ চৰাইজনীয়ে অইন ডালত বহি আদা-মিহলি বুট মাহ খাইছে। তাইক ইণ্ডিয়া হাউচৰ এজন ভদ্ৰলোকৰ লগত প্ৰায়ে থিয়েটাৰ আৰু চিনেমা চাই ফুৰা দেখিছোঁ। মোৰ চিনাকি মানুহ। নামটো নকওঁ। তোমাক আগতেই তাইক শিকলি লগাবলৈ কৈছিলোঁ। তুমি মোৰ কথা শুনা নাছিলা। এতিয়া কেতিয়া চৰাই উৰি গুচি যায় ক'ব নোৱাৰি। তুৰন্তে গুচি আহা। ইণ্ডিয়া হাউচত জীপ কেলেঙ্কাৰীক কেন্দ্ৰ কৰি ইয়াত খুব গণ্ডগোল হৈছে। আহিলেই শুনিবলৈ পাবা।

এন্টনীয়ে দুয়োখন চিঠি টেবুলৰ ওপৰত থৈ নিজৰ চিন্তাৰ মাজত হেৰাই গ'ল।

মাষ্টৰে হংসধ্বনিৰ টান দিছে। আৰম্ভ কৰিছে মুত্তুস্বামী দীক্ষিতৰ কৃতি। 'বাতাপি গণপতিং ভজেয়ম্'। এতিয়া পদৰ চৌহদ পাৰ হৈ তান আৰু লয়ত ধৰিছে।

এন্টনীৰ এই অভিজ্ঞতা তেনেই নতুন। ইমান ওচৰত থাকি এইবোৰ বাজনা সি আগতে শুনা নাছিল। তাৰ জীৱনত এয়ে প্ৰথম। ইণ্ডিয়ান ক্লাচিকেল মিউজিকৰ সি ইমান দিনে নামহে শুনিছিল। এতিয়া কিন্তু শুনি শুনি তাৰ ভাল লাগিছে। কিয় ভাল লাগিছে সি ক'ব নোৱাৰে। পিটাৰে চকু মুদি আছে। এন্টনীয়ে মাষ্টৰৰ হাতখন লক্ষ্য কৰিছে। হাত চলিছে তীব্ৰ গতিৰে; এটা তালত, এটা ছন্দত। ক'তো থমকি যোৱা নাই। এন্টনী আচৰিত হৈছে। এনেয়ে মানুহটো 'নাৰ্ভাচ' ধৰণৰ। কিন্তু বাজনা বজোৱাৰ সময়ত তেওঁ তেনেই সুকীয়া হৈ পৰে।

মাষ্টৰৰ চকু মুদ খোৱা। তেতিয়াৰে পৰা চকু খোল খোৱা নাই।

এগৰাকী মহিলা লাহে লাহে কোঠাটোত সোমাইছে। অকণো শব্দ নকৰাকৈ। এন্টনীৰ ওচৰতে বহিছে। খোপাত কৰবী ফুল। তাৰ সুবাসত বতাহ উন্মাদ।

ঠিক মহিলা নহয়। যুৱতী। মিঠাবৰণীয়া। বৰ ধুনীয়া। পিন্ধনত মাতৃৰাৰ নীলা শাড়ী। শাড়ীখন দামী নহয়। কিন্তু তাইক শাড়ীখনে বৰ শুৱনি কৰিছে। যুৱতী বহিয়েই তাল দিয়াত লাগি গ'ল। লাহে লাহে তাইৰো চকু মুদ খালে। পশ্চিমৰ খিৰিকীয়েদি ৰ'দৰ দীঘলীয়া ৰেখাবোৰ আহি তাইৰ মুখত পৰিছেহি আৰু তাইৰ নাকফুলিযোৰ জিলিকাইছেহি। তাইৰ মুখত শান্তশ্ৰী। এন্টনীৰ তাইক বৰ ভাল লাগি গ'ল।

বাজনা শেষ হ'ল। ৰ'দো শেষ হ'ল। মাষ্টৰে চকু মেলি চালে আৰু খুব সাবধানে বীণাখন থ'লে। কপালৰ ঘাম মচিলে। ওচৰতে পিটাৰ। পিটাৰেও চকু মেলিলে।

—মাষ্টৰ বাবু, বৰ আনন্দ পালোঁ। মই ভাবিছিলোঁ সময় বহুত হ'ল আৰু সন্ধ্যা পাৰ হ'ল। কিন্তু এতিয়াহে দেখিছোঁ......

মাষ্টৰে ক'লে—এনেকৈ ভবাটো আচৰিত কথা নহয়। এইটো সন্ধ্যাৰে ৰাগ।

মাষ্টৰৰ এতিয়া মাতটো কঁপিছে আৰু ঘৰ্ঘৰীয়া হৈছে। তেওঁ দুবাৰ কাঁহি মাতটো পৰিষ্কাৰ কৰি এন্টনীক সুধিলে—আপোনাৰ কেনে লাগিল?

ভেঙ্কি হতাশ হৈ সচিবালয়ৰ বহল বাৰান্দালৈ ওলাই আহিল। একাপ কফি খাবৰ ইচ্ছা হ'ল।

ওচৰতে ছিল্ভি বিনায়ক। একেলগে বহুত দিন জেল খটা মানুহ। সি শিয়ালৰ দৰে ধূৰ্ত। জাতত নাটুকোট্টি চেট্টিয়াৰ। আচল বনিয়া। তাৰ মাইকী মানুহলৈ দাৰুণ লোভ। তেতিয়া জেলৰ ভিতৰতেই মাইকীৰ যোগাৰ কৰিছিল।

ছিল্ভিৰ অৱশ্যে ভেঙ্কিলৈ বৰ শ্ৰদ্ধা। ইয়াৰ কাৰণটোহে ভেঙ্কিৰ অজ্ঞাত। মুখমন্ত্ৰীৰ কোঠাৰ পৰা ওলাই অহা দেখা পাই সি সুধিলে—দাদা, আপুনি ইয়াত? আপোনাক আজিকালি দেখা পোৱাই নেযায়। হঠাৎ ইয়াত কিয়?

ভেঙ্কি ছিল্ভিৰ লগত কফিৰ দোকানত। দুকাপ কফি সমুখত লৈ কথাবাৰ্তা। দুৰ্ভিক্ষ, চোৰাং কাৰবাৰ আদিৰ কথা ভেঙ্কিয়ে অনৰ্গল কৈ গ'ল। মুখ্যমন্ত্ৰীৰ উত্তৰটোৰ কথাও ক'লে। শেষত অভিমত দিলে—এনেকৈ চলিলে দেশ ৰসাতলে যাব। নেহেৰুৰ নিজৰ কথা: ব্লেক্ মাৰ্কেটিয়াৰক লেম্প প'ষ্টত ফাঁচী দিব লাগে। দিলে জানো? এতিয়া শাসনৰ নামত কেৱল ধাপ্পাবাজি।

ছিল্ভি অকণো আচৰিত নহ'ল। সি ক'লে—দাদা, তোমাৰ অকণো সলনি নহ'ল। অনেকদিন দেশসেৱা কৰিলা। জেল খাটিলা, পুলিচৰ অত্যাচাৰ সহিলা। এতিয়া অলপ আৰাম কৰা। চিৰদিন সন্ন্যাসী হৈয়ে থাকিবা নে? এতিয়া অলপ পইছা কৰি লোৱা। কোনে খাবলৈ পাইছে, কোনে নাই পোৱা এইবোৰ ভাবি, গণ্ডগোল কৰি তোমাৰ কি লাভ হ'ব?

ভেঙ্কিয়ে ছিল্ভিলৈ আচৰিত হৈ চাইছে। কফিত চুমা দি ছিল্ভিয়ে কৈছে—তুমি নিজে নোৱাৰিবা। মই জানো। মোক এবাৰ হুকুক দিয়া। এতিয়াই তোমাৰ নামত ৰেচনৰ দোকানৰ ব্যৱস্থা কৰি দিব পাৰোঁ। ইয়াত বৰ ভাল। অসুবিধাও নাই। কেইখনমান আচল কাৰ্ড আৰু কেবা শ ভুৱা কাৰ্ড। ভুৱা কাৰ্ডৰ মাল বজাৰত মেলি দিয়া। খুব বেছি দামত। আৰু বেছি লাভজনক ব্যৱসায় কৰিব খুজিছা যদি মোক কোৱা। এতিয়াই মই বিদেশৰ পৰা মাল আমদানী কৰাৰ লাইচেঞ্চ লোৱাৰ ধান্দাত লাগি যাওঁ। তুমি মোক থাৰ্টিথ্ৰি এণ্ড ওৱান-থাৰ্ড পাৰ্চেন্ট দিয়া। মোৰ সেয়ে হ'ব। মই তোমাক মূলধনৰ যোগাৰ কৰি দিম। তোমাৰ নাম শুনিলে বেঙ্কে ধাৰ দিব। ময়ো পালোঁহেঁতেন। অৱশ্যে এতিয়া বেঙ্কে মোক বিশ্বাস নকৰা হ'ল। ছ মাহত তুমি লক্ষপতি হ'বা। খুব সহজে। সৎ ব্যৱসায়। আৰু অলপ বুদ্ধি খটালেই কোটিপতি। মাল তোমাৰ গুডামৰ পৰা গৈ চৰকাৰী গুডামত হাৱা খাই আকৌ তোমাৰ গুডাম পাবহি। মাত্ৰ মাজতে তোমাৰ বেঙ্কত জমা টকাৰ অঙ্ক বাঢ়িব। চৰকাৰী অফিচাৰৰ লগত কিবা সুবিধাজনক ব্যৱস্থা কৰাৰ ভাৰ মই ল'ম......

ভেঙ্কি আচৰিত! তেওঁৰ কফিখিনিও বিহ যেন লাগিল। তেওঁৰ চকু সেমেকিল।

তেওঁ ক'লে—ছিল্‌ভি, এইবোৰ নেভাবি এবাৰ দেশখনলৈ চোৱা। মানুহৰ অশেষ দুৰ্গতি। বহুত মানুহ অনাহাৰে আছে, বহুতে দুসাজ খাবলৈ পোৱা নাই। সিহঁতৰ স্বাস্থ্য নাই, শিক্ষা নাই, খাদ্য নাই। সিহঁতৰ টকাৰে এনে ডকাইতি……

—তুমিও ডকাইতি কৰা। নেতাবোৰে দেশৰ কথা ভাবক। চৰকাৰেও ভাবক। আজিকালি টকা নেথাকিলে নেতা হোৱা টান। অনেকেই দেশৰ মানুহে খাবলৈ পোৱা নাই বুলি চিঞৰ-বাখৰ কৰিছে। কিন্তু সিহঁতৰ হাতলৈ ক্ষমতা আহিলে সিহঁতেও এনেকৈ ডকাইতি কৰিব। দাদা, তোমাৰ দৰে মানুহ আৰু মই দেখা নাই। সকলো আজি নিজৰ নিজৰ ধান্দাত, অথচ তুমি আনৰ কথা ভাবিছা। তোমাৰ ঠাই হিমালয়হে হোৱা উচিত।

ছিল্‌ভিয়ে ইমানকে কৈ এৰা নাই। সি অনৰ্গল পৰামৰ্শ দি গৈছে—ভাল ব্যৱস্থাৰ বাবে মুখ্যমন্ত্ৰীৰ ওচৰলৈ আহিছা? তুত্তুকুড়িত যিবোৰে চাউলৰ গোপন কাৰবাৰ কৰিছে সিহঁতক মই চিনি পাওঁ। তাৰে ভিতৰত গভাইতটো খাদ্যমন্ত্ৰীৰ সৈতে একে জাতিৰ মানুহ। খাদ্যমন্ত্ৰীৰ ওচৰ-চুবুৰীয়াও। খাদ্যমন্ত্ৰী বৰ ভদ্ৰলোক। সি সেই ৰাতি ধৰা পৰাৰ অলপ পাছতে থৈনীয়েকক খাদ্যমন্ত্ৰীৰ ঘৰলৈ পঠালে। থৈনীয়েকে মন্ত্ৰীক ভৰিত ধৰি ক'লে—আমাক বচাওক। এনেয়ে খাদ্যমন্ত্ৰী অতি ভদ্ৰলোক, তাতে আকৌ তিৰোতা মানুহৰ কন্দাকটা। তেতিয়াই টেলিফোন। তুমি কথাটো নেজানা; মই হ'লে জানো। তুমি যিবোৰক ধৰাই দিছা, সিহঁতে এতিয়া খালাচ পাই থানাৰ অ'চিক পাৰ্টি দিছে। তোনীবোৰত চাউল বোজাই হৈছে। সেইবোৰ তোনী চিলোন আৰু চিঙ্গাপুৰলৈ গৈছে।……

ভেঙ্কি হতাশ হৈ ঘূৰি আহিল। তেওঁ ইয়াৰো প্ৰতিবিধান বিচাৰিলে।

পঞ্চাছৰ জুলাই, আগষ্ট। এই দুমাহৰ অৱস্থা আৰু সাংঘাতিক। মানুহে অকল নেখাই মৰা নাই। বহুত মানুহ অপুষ্টিৰ বাবে মৰিছে। কাগজৰ ৰিপোৰ্ট। কমিউনিষ্টৰ কাগজবোৰে হুলস্থুল লগাইছে। কাগজৰ কথাবোৰ চৰকাৰে অস্বীকাৰ কৰিছে।

এইবাৰ দিল্লীত আবেদন। খাদ্যৰ যোগান ধৰি মানুহখিনিক বচাওক……

কেন্দ্ৰৰ খাদ্যমন্ত্ৰী কে. এম. মুন্সী। বিদ্বান, সাহিত্যিক, ৰসিক। দেশপ্ৰেমিকো। তেওঁ মাদ্ৰাজলৈ আহিল। কুমাৰস্বামী ৰাজাৰ লগত আলোচনা। আলোচনাতে সকলো শেষ। ফল একেই। তাৰ পাছতেই মুন্সী নাপাত্তা। বিদ্যাভবনৰ ৰাশি ৰাশি গ্ৰন্থৰ মাজত তেওঁ মুখ লুকুৱালে।

ভেঙ্কি ইমানতে ক্ষান্ত নহ'ল। জনমত গঠনৰ প্ৰয়োজন, মাদ্ৰাজ চৰকাৰৰ চকুৰ আগত এই কাম কৰিব লাগিব। ভেঙ্কিয়ে দিনে ৰাতিয়ে পৰিশ্ৰম কৰিলে। চেপ্টেম্বৰৰ মাজ ভাগত ট্ৰিপ্লিকেনৰ হাই স্কুলত জনসভা। সভাপতি দেশপ্ৰেমিক, স্বদেশমিত্ৰন পত্ৰিকাৰ সম্পাদক চি. আৰ. শ্ৰীনিবাসন। অমৰ কবি সুব্ৰহ্মণ্য

ভাৰতীৰ নিজে গঢ়া শিষ্য। দুৰ্নীতিৰ লগত তেওঁৰ আপোষহীন যুদ্ধ। সভাত শ্ৰীনিবাসনে চৰকাৰক সাবধানবাণী শুনালে—ৰেছনিং, কণ্ট্ৰোল আদি কৰিও চৰকাৰে জনসাধাৰণৰ মুখত অন্ন দিব পৰা নাই। মজুতকাৰীৰ পৰা ধান, চাউল, দাইল, তেতেলী, তিল আদি আনি ৰাইজক যোগান ধৰিবলৈ চৰকাৰ অসমৰ্থ। জনসাধাৰণে ধৈৰ্য হেৰুৱাই পেলাইছে! সাধাৰণ মানুহৰ স্বৰাজৰ প্ৰতি আস্থা হেৰাইছে। দেশৰ সকলোতে মাথোন হতাশা, স্বপ্নভঙ্গ। আমি দিনে দিনে বিপদৰ ফালে আগুৱাই আহিছোঁ। মানুহে আৰু কিমান দিন সহ্য কৰিব? গতিকে চৰকাৰ সাবধান……

ভেঙ্কি আয়াৰে এণ্টনীক ক'লে—এইবোৰ সভাৰ ৰিপোৰ্টৰ সকলো পেপাৰ-কাৰ্টিং মোৰ লগত আছে। চাবা নেকি?

এণ্টনীৰ শিৰ অবনত। কমলাৰ দুচকুত পানী। পিটাৰ শিলৰ দৰে নিশ্চল।

—এই দুবছৰৰ ভিতৰত সাধাৰণ মানুহৰ অৱস্থা আৰু বেয়াৰ ফালে ঢাল লৈছে। বেছি দুৰ্দশাগ্ৰস্থ আমাৰ মীনপাৰোৱাবোৰহে। এই শাসন……। ভেঙ্কিয়ে আৰু ক'ব নোৱাৰিলে। তেওঁ বৰ বিহ্বল হৈ পৰিল।

কমলাই ধীৰে ধীৰে ক'লে—এই চৰকাৰক শেষ কৰিব লাগিব। আপুনি লাগি যাওক। আমিও আছোঁ।

—মা, চৰকাৰক খতম কৰা সহজ কথা নহয়। চৰকাৰৰ বহুত ক্ষমতা। সিহঁতে সকলোকে মাৰপিট কৰি ঠাণ্ডা বনাই দিব।—ভেঙ্কিয়ে লাহে লাহে ক'লে।

—নোৱাৰিলে আমি মৰিম। বৃটিছৰ বিপক্ষে যুঁজি মোৰ দেউতা পুলিচৰ মাৰ খাই মৰিল। কিন্তু এনেকুৱা এবিধ স্বৰাজৰ হকে তেওঁ যুঁজা নাছিল। অসহ্য।

—মা, তোমাৰ দেউতাৰৰ নাম কি?

—কোদণ্ড ৰামন। শুনিছোঁ যে তেওঁক পুলিচে হত্যা কৰিলে। মোৰ জন্মৰ আগতে……

ভেঙ্কিয়ে মনত পেলাবলৈ চেষ্টা কৰিলে। কিন্তু শ্ৰীবৈকুণ্ঠমৰ কোনো কোদণ্ড ৰামনৰ কথা তেওঁৰ মনত নপৰিল। তথাপি এই ছোৱালীজনীৰ অন্তৰত জুই জ্বলি আছে। এই জুই আহিছে তাইৰ পিতৃমাতৃৰ পৰা।

কমলাই ভেঙ্কি আয়াৰক সোঁৱৰাই দিলে—কাইলৈ আবেলি আপুনি আমাৰ তালৈ যাবই লাগিব। মনত ৰাখে যেন।

—নিশ্চয় যাম।

পাছদিনা বিয়লি ছোৱালী স্কুলত সভা। ভেঙ্কি আয়াৰৰ ষষ্ঠি অব্দ পূৰ্তি উপলক্ষে। স্কুলৰ হলঘৰটো ফুল আৰু ৰঙীণ কাগজেৰে সজোৱা হৈছে। এমূৰে

এটা মঞ্চও সজা হৈছে। তাত সভাপতি। তেখেত হ'ল এগৰাকী সমাজসেৱী মহিলা। শ্ৰীমতী সাৰদাম্মাল।

মাষ্টৰক ধৰি নি মঞ্চত বহুৱাই দিয়া হ'ল। ওচৰতে বহিল সম্পাদক ডাক্তৰ সন্মুখসুন্দৰম। মাজত ভেঙ্কি আয়াৰ। ওচৰৰ ব্ৰাহ্মণ কলনীৰ পৰা বহুত মানুহ আহিছে। হল ভৰ্তি। আগ শাৰীত পিটাৰ আৰু এন্টনী। মীনপাৰোয়াৰ ভিতৰত সিহঁত দুটা আৰু ৰোড্ৰিগোহে আহিছে। ৰোড্ৰিগো বহিল ভেঙ্কিৰ সোঁফালে।

ৰোড্ৰিগোৱে মাষ্টৰৰ লগত কথা পাতিছে। সভা আৰম্ভ হ'বলৈ অলপ সময় আছে। কমলা আৰু আন শিক্ষয়িত্ৰীসকল ইটো-সিটো কাম কৰাত ব্যস্ত। ছোৱালীবোৰে ভলন্টিয়াৰ হৈ দৰ্শকক চম্ভালিছে।

ৰোড্ৰিগোৱে ক'লে—ৰাজাগোপালাচাৰীয়ে এইবোৰ লোকৰ চৰিত্ৰ শুধৰাবলৈ দায়িত্ব লৈছে।

ইয়াকে কৈ তেওঁ হাঁহিলে। সভাতো হৰ্ষধ্বনি। তেওঁ ক'লে—মদ খোৱা বন্ধ কৰিছে। দেৱদাসী প্ৰথা উঠাই দিবৰ বাবে বিল এখনো উত্থাপন কৰাৰ কথা।

ইয়াকে কৈ আকৌ হাঁহিলে। তেওঁ অলপ ৰৈ আকৌ ক'লে—নাচ-গান বন্ধ। পুৰণি ঐতিহ্য খতম।

হঠাৎ মাষ্টৰৰ খং উঠি গ'ল। তেওঁ চিঞৰি চিঞৰি ক'লে—হ'ব নোৱাৰে। হ'বলৈ নিদিম। মই বাধা দিম। ৰাজাগোপালাচাৰীয়ে যদি দেৱদাসী প্ৰথাকে কেৱল বেশ্যাবৃত্তি বুলিহে ভাবিছে, তেনেহলে তেওঁ খুব ভুল কৰিছে। মই প্ৰাণ থাকে মানে যুঁজিম।

মাষ্টৰ কঁপি কঁপি থিয় হৈছে। ভেঙ্কি আয়াৰে মাষ্টৰক আঁকোৱালি লৈছে। কিন্তু মাষ্টৰৰ গা শিথিল ; তেওঁ অজ্ঞান।

সকলো আচৰিত!

ডাক্তৰ সন্মুখসুন্দৰম ওচৰ পালেহি। এজনে তেওঁক ডাক্তৰী বেগটো আগুৱাই দিলে। তেওঁ কিছু পৰ ষ্টেথেচ্‌কোপডাল বুকুত বহুৱাই শুনিলে। তাৰ পাছত বুকু, হাত আৰু নাড়ী টিপি টিপি চালে। চকু আৰু জিভা পৰীক্ষা কৰিলে। তেওঁ মুখখন বিকটাই ক'লে—মৰিল।

ঘটনাটো পাঁচ মিনিটৰ ভিতৰতে ঘটিল। কমলাই বাহিৰৰ কোঠা এটাৰ পৰা মাষ্টৰৰ বীণাখন দুহাতে ধৰি মঞ্চলৈ অনাৰ সময়তেই এই মৰ্মন্তুদ ঘটনা!

ফাদাৰে আলখাল্লাৰ জেপৰ পৰা চছমাযোৰ উলিয়াই পিন্ধি লৈ পঢ়িবলৈ ধৰিলে। পঢ়ি থকা অৱস্থাত তেওঁৰ মুখৰ ভাব সলনি হ'বলৈ ধৰিলে। পঢ়া শেষ কৰি তেওঁ চকু মুদিলে। তেওঁৰ মুখত যন্ত্ৰণাৰ চিন। তেওঁ ভালেমান পৰ মনে মনে থাকিল।

চোফায়াই ফাদাৰক সূক্ষ্মভাৱে লক্ষ্য কৰি থাকিল। ফাদাৰে এটা দীঘল উশাহ সলাই বুকুত ক্ৰছ আঁকিলে। এটা চকু মেলি চালে। তেওঁৰ দুচকুত পানী।

—তাই মনে মনে পলাবলৈ বিচাৰিলে কিয়? ফাদাৰে ধীৰে ধীৰে সুধিলে।

—পোন বাটে গ'লে সদায় বিপদ। সেই কাৰণেই। তাইক হয়তো মাৰিয়েই পেলালেহেঁতেন। হয়তো মাষ্টৰকো খতম কৰি দিলেহেঁতেন।

ফাদাৰ আকৌ নিমাত। চোফায়াই কৈ গ'ল—আৰু হয়তো লাজ। সমগ্ৰ পৃথিৱীৰ ওচৰত লাজ। এইখন আচৰিত দেশ। ইয়াত ভাল পোৱাটোও লাজৰ কথাহে।

—কাৰবাক তই ভাল পাইছ? ফাদাৰৰ প্ৰত্যক্ষ প্ৰশ্ন।

চোফায়াৰ মুখৰ মাত হৰিল। তাই মূৰ তললৈ কৰি থাকিল। ভৰিৰ নখৰে খাঁহ খুচৰিলে। অলপ পৰৰ পাছত তাই মুখ তুলি চালে। মুখখন ৰঙাছিঙা পৰি গৈছে। চকুৰ কোণ সেমেকা।

—ড্যাড, মই কি কৰিম?—চোফায়াৰ আকুল প্ৰশ্ন।

তাই থিয় হ'ল। ফাদাৰৰ সমুখত আঠু লৈ মূৰটো তেওঁৰ বুকুত সুমুৱাই কান্দি কান্দি বিয়াকুল হৈ পৰিল। তাই থোকাথুকি মাতেৰে শেষত ক'লে—ড্যাডি, মই কি কৰিম? মোৰ মন বৰ অস্থিৰ।

ফাদাৰে চোফায়াৰ মিহি কোমল চুলিত হাত বুলাই বুলাই ক'লে—তই একো চিন্তা নকৰিবি। তই কি কৰিব লাগিব তোৰ মনটোৱেই ক'ব। লাজ, ঘৃণা আৰু ভয়লৈ কেৰেপ নকৰিবি।

চোফায়াৰ মূৰটো এতিয়া ফাদাৰৰ কোলাত। গেইটৰ বাহিৰত এখন কুদৰৈভাগিৰ শব্দ। চোফায়াই নাক-মুখৰ পানী মচি চকিত বহিল। ফাদাৰ বহাৰ পৰা উঠি অলপ আগুৱাই গ'ল। আহি থকা মানুহজনক ক'লে—আহঁা, আহঁা, তুমি আহিবা বুলি সদায় বাট চাই থাকোঁ। কিন্তু তোমাৰ মোৰ ওচৰলৈ আহিবলৈ আহৰিকে নহয়।

ফাদাৰে মানুহজনক পৰিচয় কৰাই দিলে—চোফায়া, আমাৰ ইয়াত এখন সৰু গোলাপ ফুলৰ বেড আছে। চাপেলৰ পিছ ফালে। পিছে মই ইয়াৰ মালিক বুলি ক'ব নোৱাৰি। মালিক এওঁহে। এওঁ গ্ৰাফ্ট কৰে, প্ৰতিপাল কৰে। ছোৱালীজনীক চিনি পাইছা? এওঁ তুন্তুকুড়ি কনভেন্টৰ চিষ্টাৰ আৰু এওঁ হ'ল......

চোফায়াই লাহে লাহে ক'লে—মই তেখেতক চিনি পাওঁ।

এন্টনী অবাক! হঠাত তাৰ মনত বিজুলী জিলিকিল। তেনেহ'লে এয়ে সেই জোৱালীজনী যি জেনক খবৰ দিবলৈ পঠিয়াইছিল! পিটাৰে তেনেহ'লে এইজনী ছোৱালীকে......

সি চোফায়াক ভালকৈ চাই ল'লে। ৰূপহী ছোৱালী। চকু দুটা তিৰবিৰাই থাকে। চকু দুটা বৰ ধুনীয়াও; হেলনীয়া আৰু মনোমুগ্ধকৰ। কিন্তু এতিয়া তাইৰ চাৱনিত এটা কৰুণ ক্লান্তভাব ফুটি উঠিছে। নানৰ পোছাকক উলাই কৰি তাৰ মাজেদিয়েই তাইৰ দুৰ্দান্ত যৌৱনে নিজৰ অস্তিত্ব ঘোষণা কৰিছে।

চিন্টাৰ চোফায়াৰ কথাৰ সুৰ ধীৰ। তাই ক'লে—মই গড্‌উইন ডাঙৰীয়াৰ অন্তিমকালত উপস্থিত আছিলোঁ।

—আগতে কফি বনাই আনচোন। কফিৰ সময় পাৰ হওঁ হওঁ।—ফাদাৰৰ অনুৰোধ।

চোফায়া ভিতৰ সোমাল। ফাদাৰ আৰু এন্টনী এতিয়া মুখামুখি হ'ল। ঘাঁহৰ লনত দুয়ো বহি ভাব বিনিময় কৰাত লাগি গ'ল।

—তুত্তুকুড়ি কেনেকুৱা লাগিছে? ফাদাৰৰ প্ৰশ্ন।

—দেশৰ অৱস্থা দেখি মনত বৰ দুখ। সাধাৰণ মানুহৰ অৱস্থাৰ পৰিবৰ্তন হোৱা নাই। চৈধ্য বছৰৰ আগৰ নিচিনাই হৈ আছে।—এন্টনীয়ে ক'লে।

—তুমি কেনে ধৰণৰ পৰিবৰ্তন আশা কৰিছিলা? ফাদাৰে হাঁহি মুখে সুধিলে।

—সাধাৰণ মানুহে দুবেলা পেট পুৰাই খাবলৈ পাব, ভাল শিক্ষা পাব, চিকিৎসা পাব, সিহঁত ভাল স্বাস্থ্যৰ অধিকাৰী হ'ব আৰু সিহঁতৰ মাজৰ পৰা কুসংস্কাৰ আঁতৰিব বুলি ভাবিছিলোঁ।

এন্টনীৰ কথাৰ মাজতে ফাদাৰে সুধিলে—চাৰ্চলৈ যোৱাটো তুমি কুসংস্কাৰ বুলি ভাবা নেকি?

এন্টনী আচৰিত হ'ল। সি তৎমুহূৰ্তে ইয়াৰ উত্তৰ দিলে—মই তেনে বুলিয়েই ভাবোঁ।

ফাদাৰে এইবাৰ এটা হাঁহি মাৰি ক'লে—তুত্তুকুড়িৰ ফাদাৰসকলে অভিযোগ কৰিছে যে তুমি হেনো চাৰ্চলৈ নোযোৱা।

ভিতৰত কফি গুড়ি কৰাৰ লোভনীয় গোন্ধ।

এন্টনীয়ে সুধিলে—তেনেহ'লে এই কথা আপোনাৰ কাণতো পৰিছে?

ফাদাৰে ক'লে—এৰা, ঘুনুক-ঘানাককৈ শুনিছোঁ। তুমি ঈশ্বৰক বিশ্বাস নকৰা?

এন্টনীৰ স্পষ্ট উত্তৰ—যাক বুজি নেপাওঁ, তেওঁক বিশ্বাসো নকৰোঁ।

ফাদাৰে লগে লগে সুধিলে—কমিউনিষ্টবোৰে ঈশ্বৰক বিশ্বাস নকৰে। তুমি কমিউনিষ্ট?

তোনীখনৰ ফালে তীৰবেগে আগবাঢ়ি গ'ল। তোনীৰ পৰা তিৰোতা মানুহৰ কান্দোনৰ শব্দ শুনা গ'ল। পিটাৰ শহাকনীয়া হৈ ৰ'ল। সি ক'লে—মাইকেল, শুন। তাৰ পাছত দুয়োৰে ফুচফুচীয়া কথা। এনে গোপন কথাৰ ৰহস্য এন্টনীৰ অজ্ঞাত।

নাওখন তোনীৰ পিছফালে লগাই দিলে। তোনীখন নাওখনতকৈ ওখ। মাইকেলে হুক লগোৱা ৰচি এডাল তোনীখনলৈ মাৰি পঠালে। ৰচিডাল তোনীৰ লগত সংলগ্ন হ'ল। নাৱৰীয়া ল'ৰা কেইটা পিটাৰৰ মুখলৈ চাই ৰ'ল। পিটাৰে সিহঁতক আকাৰে ইঙ্গিতে কিবা ক'লে। এন্টনীয়ে মাথোন চাইহে থাকিল।

ৰচিডালত ধৰি সিংগাৰায়ণ তোনীৰ ওপৰত উঠিলগৈ। তাৰ পিছত মাইকেল। দুয়োটাৰে কঁকালত ছুৰি গুজি থোৱা আছে। এন্টনীয়ে কি ঘটিছে বুজিব পৰা নাই। পিটাৰো আজিকালি জলদস্যু হ'ল নেকি? শেষত পিটাৰে আৰু আটাই কেইটা নাৱৰীয়া তোনীৰ ওপৰত উঠিল।

এন্টনী এতিয়া নাৱত অকলে। তোনীৰ লগে লগে নাওখনো আগুৱাই গৈ আছে। নাৱৰ ডাঙৰ ৰচিডাল তোনীৰ পিছৰ খুটাত বন্ধা আছে। তোনীৰ ওপৰত জেঁটাপোটা লগাৰ আৰু মাৰপিট কৰাৰ শব্দ। অলপ পৰৰ পাছত পিটাৰৰ মাত: এন্টনী, এইফালে আহ।

—অ', সেয়া! এন্টনী নাৱৰ ওপৰত থিয় হ'ল।

—এইক ধৰ।

পিটাৰ আৰু মাইকেলে তোনীৰ পৰা এটা নাৰীদেহ নমাই দিলে।

এন্টনীয়ে দুয়োখন হাতেৰে ছোৱালীজনীক ধৰিলে আৰু লাহে লাহে নাৱত নমাই থ'লে। লগে লগে পিটাৰো নাৱৰ তক্তাৰ ওপৰত জপিয়াই পৰিল। মাইকেল আৰু বাকী নাৱৰীয়া কেইটাও নাৱত উঠিলহি। তোনীৰ লগত সংলগ্ন ৰচিডাল কাটি দিয়া হ'ল। পিটাৰে নাওখন ঘূৰালে। নাও হেয়াৰ আইলেণ্ডৰ ফালে আগবাঢ়িল।

অন্ধকাৰত মুখ দেখা পোৱা নেযায়। তথাপি ছোৱালীজনী খুব কোমল বয়সৰ বুলি এন্টনীৰ অনুমান হ'ল।

পিটাৰে সুধিলে—তোমাৰ নাম কি?

ছোৱালীজনীয়ে কান্দোনৰ মাজেৰে উত্তৰ দিলে—চুজি। চ'লম'ন ফাৰ্ণাণ্ডো মোৰ দেউতা।

—কোন চ'ল'মন?

—কটীয়া চ'ল'মন! ছোৱালীজনীৰ উত্তৰ।

পিটাৰে কটীয়া চ'ল'মনক চিনি পায়। মানুহটো নিচাখোৰ। নিচা খাই

সদায় পৰি থাকে। সি এক নম্বৰৰ অপদাৰ্থ! তাৰ ঘৈণীয়েকেহে বজাৰত মাছ বেচে। এগৰাল ল'ৰা-ছোৱালী। ঘৈণীয়েকজনী মুখচুকী। ল'ৰা-ছোৱালী-বোৰক অনবৰত খেচ-খেচাই থাকে। সিহঁতৰ ডাঙৰ ছোৱালীজনী ইমান ডাঙৰ হৈছে বুলি পিটাৰে ভাবিবই পৰা নাছিল।

—তোনীলৈ আহিলা কেনেকৈ? পিটাৰৰ জেৰা।

—এই তোনীৰ মানুহটোৱে মোক জাহাজ দেখুৱাব বুলি কৈছিল।

—ঘৰত কৈ আহিছিলা?

—নাই! ক'লে মা-দেউতাই আহিবলৈ নিদিলেঁহেঁতেন। পলাই আহিছোঁ। লুইচে কৈছিল যে আবেলিৰ ভিতৰতে ঘূৰি আহিব পৰা যাব। তোনীত উঠাৰ লগে লগেই মোক তলৰ কোঠা এটাত আটক কৰি ৰাখিলে। সিহঁতে এই ৰাতিলৈকে মোক লৈ ফুৰালে।……ছোৱালীজনীয়ে খুব কান্দিলে।

—কাইলৈ পুৱাই তোমাক ঘৰত থৈ আহিমগৈ। ভয় নকৰিবা। ঘৰৰ পৰা কিমান পৰত আহিছিলা? পিটাৰৰ কণ্ঠত আশ্বাসৰ সুৰ।

—নিচেই পুৱাতে।

—কিবা খাইছা?

—নাই। সিহঁতে মোক খাবলৈ দিয়া নাই। কেৱল ভয় দেখুৱাইছিল। চিঞৰিলে কাটি সাগৰত উটুৱাই দিম বুলি কৈছিল।

হেয়াৰ আইলেণ্ডৰ ভঙাছিঙা ঘৰটোত দুপৰ ৰাতি ভোজ। নাদনে বঢ়িয়া পাগ কৰিছে। জীয়া মাছৰ চাল্‌না—নাৰিকল, তেতেলী, ধনিয়া, কেঁচা জলকীয়া আৰু মচলা পিহি তাকে দি বনোৱা চাল্‌না। জোলকণ ঘন হৈছে। ৰঙো জুইৰ আঙনি যেন। তাৰ মাজত মাছৰ টুকুৰাবোৰ। লগত ৰঙা চাউলৰ মিঠা ভাত। মাছৰ টুকুৰাবোৰো মচলা সানি ভজা।

পিটাৰে ছোৱালীজনীক কাষত বহুৱাই লৈ খুৱাইছে। খোৱা! আৰু দুডোখৰ মাছ লোৱা। চিন্তা নকৰিবা। কাইলৈ পুৱাই ঘৰ পাবাগৈ। এতিয়া ভালকৈ খাই লোৱা। আৰু অলপ ভাত লোৱা। অলপ জোল সানি লোৱা। বাৰু, ৰন্ধা কেনে হৈছে? তুমি এনেকৈ ৰান্ধিব পাৰা?

—পাৰোঁ। ছোৱালীজনীয়ে সহজ হৈ উত্তৰ দিলে।

ছোৱালীজনী বালিত পৰাৰ লগে লগেই টোপনি গ'ল। ল'ৰা কেইটা ভগা ঘৰটোৰ সিফালে। মাইকেলে দুবাৰ মান এইফালে ঘূৰাপকা কৰিলে। পাছত শুই থকা চুজিৰ মূৰৰ তলত বালিৰে এটা গাৰু বনাই দিলে।

এন্টনী আৰু পিটাৰ নাৱত।

—এটা কাহিনী শুনিবি, এন্টনী? পিটাৰৰ কণ্ঠস্বৰ গভীৰ। কথা কেইটা খুব লাহে লাহে কৈছে। এনে ধৰণে পিটাৰে কথা কোৱাৰ এটা ডাঙৰ কাৰণ আছে

